Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, APRIL 10, 2025 ■ বৃহস্পতিবাৰ, ২৭ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০৩ Guwahati, Assam ।। মূল্যঃ এটকা

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

### সম্প্ৰীতিৰ বিৰল দৃশ্য
## কলাক্ষেত্ৰত হিন্দু-মুছলমানৰ জিকিৰ



ই-সংবাদ, ৯ এপ্ৰিলঃ শংকৰদেৱ গুৰুজনাই যে বৰ অসমখনত ২ পৃষ্ঠাত

## শিলচৰৰ এইউত দুৰ্গা পূজাৰ বন্ধ ২৬ দিন, বন্ধ নাই বিহুৰ

# বৰাকত ৰঙালীক উপহাস!

ই-সংবাদ, ৯ এপ্ৰিলঃ অসমৰ বিশ্ববিদ্যালয়কেইখন হৈছে জাতিটোৰ বৰঘৰ স্বৰূপ। জাতীয় কৃষ্টি-সংস্কৃতি, অসমৰ বীৰ-বীৰাংগনাৰ চৰ্চাৰ কেন্দ্ৰ বিশ্ববিদ্যালয়কেইখন। চতুৰ্থ পৃষ্ঠাত



### কংগ্ৰেছৰ অভিযোগ, এজাহাৰ দাখিল
## পঞ্চায়তৰ নথি সংগ্ৰহত প্ৰাৰ্থীক বাধা প্ৰদান বিজেপিৰ!

ই-সংবাদ, ৯ এপ্ৰিলঃ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰে ২ আৰু ৭ মে'ত ভোটগ্ৰহণ হ'বলগা পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীসকলক শেষাংশ ৩ পৃষ্ঠাত

## আজি ঘোষণা নহয় মেট্ৰিকৰ ফলাফল!

ই-সংবাদ, ৯ এপ্ৰিলঃ ৰঙালী বিহুৰ পূৰ্বেই ঘোষণা হ'ব পাৰে মেট্ৰিক ৫ পৃষ্ঠাত

## মন্ত্ৰী সিংহলৰ কুকীৰ্তি! পত্নীৰ নামত মহিলা সমিতিৰ মাটি পঞ্জীয়নৰ চেষ্টা



ই-সংবাদ, ঢেকীয়াজুলি, ৯ এপ্ৰিলঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ অনা-অসমীয়া মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে পত্নীৰ নামত আন সংস্থাৰ দখলীকৃত ভূমি পঞ্জীয়ন কৰি ৫ পৃষ্ঠাত

## ৰাম ৰহিমক আকৌ পেৰ'ল!

গুড়গাঁও, ৯ এপ্ৰিলঃ বাৰে বাৰে পেৰ'ল লাভৰ বাবে বিতৰ্কৰ কেন্দ্ৰবিন্দু ৩ পৃষ্ঠাত চাওক

### ইউনুছক উচিত শিক্ষা
## ভাৰতে বন্ধ কৰিলে বাংলাদেশৰ ৰপ্তানি শ্বিপমেণ্ট

নতুন দিল্লী, ৯ এপ্ৰিলঃ চীনৰ অৰ্থনীতি উত্তৰ-পূব ভাৰতলৈ সম্প্ৰসাৰণৰ আহ্বান জনোৱাৰ কিছুদিনৰ ভিতৰতে ভাৰত চৰকাৰে বাংলাদেশক শেষাংশ ৩ পৃষ্ঠাত

### কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সন্মিলন! বিধানসভালৈ ৰণনীতি ৰাহুল-গৌৰৱৰ
## ভয়-ভাবুকিয়ে টলাব নোৱাৰা নেতাক আগস্থান দিয়াৰ আহ্বান

আহমেদাবাদ, ৯ এপ্ৰিলঃ সংৰক্ষণৰ সীমা ভাঙি পেলোৱাৰ স্পষ্ট সকীয়নি প্ৰদান কৰিলে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে।গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শেষাংশ ৪ পৃষ্ঠাত



## বিমান যাত্ৰাত আনৰ চাৰ্জাৰ লৈ দিবলৈ পাহৰিলে মুখ্যমন্ত্ৰীয়ে

ই-সংবাদ, ৯ এপ্ৰিলঃ ৰাজ্য শাসনৰ দায়িত্বভাৰ লৈ থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ৩ পৃষ্ঠাত

### গৰিয়া পৰিষদৰ অভিযোগ
## প্ৰতিশ্ৰুতি দি সম্পন্ন নকৰিলে জৰীপ, প্ৰৱঞ্চনা বসুন্ধৰাৰ নামতো!

ই-সংবাদ, ৯ এপ্ৰিলঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে অসমৰ গৰিয়সকলক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰিছে শেষাংশ ২ পৃষ্ঠাত

## সহস্ৰজনৰ চকুলোৰে শেষকৃত্য প্ৰদীপ নাগৰ

ই-সংবাদ, ওদালগুৰি ৯ এপ্ৰিলঃ অগণন গুণমুগ্ধৰ উপস্থিতিত এক শোকাকুল পৰিৱেশৰ মাজেৰে আজি ওদালগুৰিৰ বেঘাপাৰাত সমাধিস্থ



বেঘাপাৰাত আছাৰ সদ্যপ্ৰয়াত সভাপতিগৰাকীক শেষ বিদায় গুণমুগ্ধৰ

কৰা হয় আছাৰ সদ্যপ্ৰয়াত সভাপতি প্ৰদীপ নাগৰ নশ্বৰ দেহ। দিল্লীৰ মেদান্ত চিকিৎসালয়ত চিকিৎসাধীন ৮ পৃষ্ঠাত চাওক

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কলাক্ষেত্ৰত হিন্দু-মুছলমানৰ জিকিৰ

হিন্দু-মুছলমানৰ বান্ধোন কটকটীয়া কৰি থৈ গৈছিল তাক কেতিয়াও নিঃশেষ কৰিব পৰা নাযায়। যুগে যুগে ভাতৃত্বৰ বান্ধোনেৰে সমাজ পাতি বসবাস কৰি থকা অসমৰ খলগিৰি হিন্দু-মুছলমানে সহিষ্ণুতা বৰ্তাই ৰাখিছে। কেতিয়াবা সামান্য ভুল বুজাবুজি হৈছে যদিও সেয়া তুঁহৰ জুইৰ দৰে। ক্ষন্তেকতে নাইকিয়া হয়। অসমৰ খলগিৰি হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ বান্ধোন যে সদায়েই কটকটীয়া সেয়া আজি আকৌ এবাৰ প্ৰমাণ হ'ল। আজি ঐতিহ্যমণ্ডিত শংকৰদেৰ কলাক্ষেত্ৰত খলগিৰি হিন্দু-মুছলমানে একেলগে জিকিৰ-জাৰি গাই প্ৰমাণ কৰিলে যে এইখন অসমত শংকৰদেৱে দেখুৱাই যোৱা বাটেৰে আগবাঢ়িছে। ঐতিহ্যমণ্ডিত শংকৰদেৰ কলাক্ষেত্ৰত এহেজাৰ খিলঞ্জীয়া ইছলামধৰ্মী আৰু হিন্দুৱে গালে 'মোৰ মনত ভেদভাৱ নাই অ' আল্লাহ, মোৰ মনত ভিনপৰ নাই অ' আল্লাহ, হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান, মোৰ মনত একেটি ভাৱ' শীৰ্ষক জিকিৰ পৰিৱেশন কৰি আকৌ এবাৰ প্ৰমাণ কৰি দিলে যে এইখন অসম থলগিৰিৰ অসম। যাৰ অসমৰ বায়ু-পানীৰ সৈতে সম্পৰ্ক আছে। সেইসকলৰ মাজত ভেদাভেদ সৃষ্টি কৰিব নোৱাৰি। অসম গৰিয়া পৰিষদে আয়োজন কৰা বিশেষ অনুষ্ঠান 'জিকিৰ গাওঁ আহক' অনুষ্ঠানৰ দ্বাৰা সেই কথাই প্ৰমাণ হয়। এহেজাৰ থলগিৰি হিন্দু-মুছলমান শিল্পীয়ে জিকিৰ পৰিৱেশন কৰে। অসমৰ থলগিৰি একতা আৰু থলগিৰিৰ সংস্কৃতিৰ অপূৰ্ব নিদৰ্শন দেখা যায়। গুৱাহাটী মহানগৰীৰ অসম আন্দোলনৰ ফচল শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এহেজাৰ থলগিৰি হিন্দু-মুছলমানে জিকিৰ পৰিৱেশন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা এহেজাৰ পুৰুষ-মহিলাই একেলগে 'মোৰ মনত ভেদভাৱ নাই অ' আল্লাহ' শীৰ্ষক জিকিৰটো পৰিৱেশন কৰা পৰিলক্ষিত হয়। জানিব পৰা মতে, জিকিৰ-জাৰিৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি সংগঠনটোৱে এই আয়োজন কৰে। গৰিয়া পৰিষদৰ দ্বাৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কেইবাশ লোকক লৈ সদৌ অসম ভিত্তিত জিকিৰ-জাৰি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। চুফি সাধক আজানপীৰৰ সৃষ্টি জিকিৰ আৰু জাৰিৰ পুনৰ বিস্তাৰৰ উদ্দেশ্যে অনুষ্ঠিত প্ৰতিযোগিতাৰ অন্তত আজি সমূহীয়া জিকিৰ পৰিৱেশন কৰা হয়। দিনৰ প্ৰায় ১২ বজাৰ পৰা আৰম্ভ হোৱা কাৰ্যসূচীত বিশিষ্ট জিকিৰ-জাৰিৰ সাধক আজিমুদ্দিন আহমেদ, জনপ্ৰিয় শিল্পী নেকিব, বিশিষ্ট শিল্পী বুলবুল হুছেইন, বিশিষ্ট জিকিৰ শিল্পী হাফিজা বেগম চৌধুৰী আদিয়ে অংশগ্ৰহণ কৰে। আয়োজক গৰিয়া উন্নয়ন পৰিষদে কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা জিকিৰ-জাৰিৰ প্ৰতিযোগিতাত অংশ লৈছে। সকলো জাতি, ধৰ্ম, বৰ্ণৰ লোকে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছে। আজিৰ জিকিৰ-জাৰি পৰিৱেশনৰ দ্বাৰা প্ৰমাণ হৈছে যে শংকৰ-আজানে গঢ়ি থৈ যোৱা অসমত থলগিৰি হিন্দু-মুছলমানৰ একতাৰ এনাজৰীডাল কোনোৱেও ছিঙিব নোৱাৰে। অসমৰ হিন্দু-মুছলমানে আকৌ এবাৰ প্ৰমাণ কৰি দেখুৱালে সমূহীয়া জিকিৰ পৰিৱেশন কৰি। ইতিহাসে কয় যে অসমৰ থলুৱা জিকিৰ-জাৰি আৰবীয় সংস্কৃতি নহয়। এয়া অসমৰ থলগিৰিৰ সংস্কৃতি। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অসমৰ সমাজত প্ৰচলিত লোকসংস্কৃতিৰ অন্যতম দেহবিচাৰৰ গীতবোৰৰ পৰাই আজান ফকীৰে জিকিৰ-জাৰি গীত ৰচনা কৰিছিল। তাহানিতে ইছলাম ধৰ্মত দীক্ষিত হোৱা অসমীয়া মুছলমান সমাজৰ লোকৰ সংস্কৃতি হৈছে জিকিৰ-জাৰি। কলাক্ষেত্ৰত ১০০০ শিল্পীয়ে 'মোৰ মনত ভেদভাৱ নাই অ আল্লাহ' জিকিৰ পৰিৱেশনৰ মনোমোহা দৃশ্যই অসমবাসীক আপ্লুত কৰিছে। আজি আকৌ এবাৰ প্ৰমাণ হ'ল যে দেশৰ আন প্ৰান্তৰ দৰে নহয় অসমৰ খিলঞ্জীয়া ইছলামধৰ্মীসকল। কিয়নো অসমৰ খিলঞ্জীয়া ইছলামধৰ্মীসকল অসমৰ থলুৱা জাতি-জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত লোক। এই আয়োজনক একাংশ লোকে সমন্বয়ৰ বাৰ্তা বুলি অভিহিত কৰি অনাগত দিনতো অসমত এনে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰাৰ দৰকাৰ আছে একাংশ লোকে কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিশ্ৰুতি দি সম্পন্ন নকৰিলে জৰীপ,

সদৌ অসম গৰিয়া জাতীয় পৰিষদে। নিৰ্বাচনত প্ৰতিশ্ৰুতি দি চৰকাৰে গৰিয়াৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব নিদি প্ৰৱঞ্চনা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ সভাপতি মইনুল ইছলামে আজি গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদমেল সম্বোধন কৰি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। মইনুল ইছলামে কয় যে চৰকাৰে গৰিয়াৰ সমস্যা সমাধান কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল আৰু এতিয়া প্ৰতিশ্ৰুতি পালনত চৰকাৰে অৱহেলা-হেমাহি কৰিছে। মইনুল ইছলামে কয় যে অসমৰ থলুৱা ইছলামধৰ্মীৰ আৰ্থ-সামাজিক জৰীপৰ বাবে কেবিনেট সিদ্ধান্ত অনুসৰি সংখ্যালঘু উন্নয়ন দপ্তৰৰ সচিবে ২০২৪ চনৰ ২২ ফেব্ৰুৱাৰীত প্ৰতিখন জিলাৰ জিলা আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰি জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা পৰ্যায়ৰ সমিতি গঠনৰ নিৰ্দেশনা দিছিল। আৰ্থ-সামাজিক জৰীপ কৰাতো দূৰৰ কথা আজিলৈ এছঅ'পি তৈয়াৰ কৰি ৰাজহুৱা কৰিব পৰা নাই চৰকাৰে। এই কথাই গৰিয়াসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ অৱহেলা-হেমাহিৰ দিশটো প্ৰকট হৈ উঠিছে। বসুন্ধৰা আঁচনিত গৰিয়াক বঞ্চিত কৰাৰ গুৰুতৰ অভিযোগ আনি সভাপতি ইছলামে কয় যে অসম চৰকাৰে গেজেট নটিফিকেচনৰ দ্বাৰা গৰিয়া আৰু আন কেইটামান জনগোষ্ঠীক অসমৰ খিলঞ্জীয়া-থলুৱা জনগোষ্ঠী হিচাপে স্বীকৃতি প্ৰদান কৰাৰ পাছতো বসুন্ধৰা আঁচনিৰ তিনিটা পৰ্যায়তে বংগমূলীয় মুছলমানৰ সৈতে গৰিয়াসকলৰ নাম আৰু উপাধিৰ সাদৃশ্যতাৰ বাবে চৰকাৰী মাটিৰ ক্ষেত্ৰত সুবিধা লাভৰ পৰা গৰিয়াক বঞ্চিত কৰা হৈছে। ইপিনে ইছলামে আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় পৰিচয় মতে মাটি কিনা-বেচাৰ ক্ষেত্ৰত এক নতুন আইন প্ৰণয়নৰ পোষকতা কৰি ছেপ্তেম্বৰ মাহত বিধানসভাত এখন বিধেয়ক উত্থাপন কৰাৰ কথা ঘোষণা কৰাৰ পাছতে ৰাজহ চক্ৰ কাৰ্যালয়সমূহত বংগমূলীয় মুছলমানৰ সৈতে গৰিয়াসকলৰ নাম আৰু উপাধিৰ সাদৃশ্যতাৰ বাবে গৰিয়াসকলেও মাটি কিনা-বেচাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব লগা হৈছে। সেয়ে এনে সমস্যাসমূহ চৰককাৰে সমাধান কৰাত হেমাহি প্ৰকাশ কৰিছে। অসম চৰকাৰে গৰিয়াসকলক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদানৰ পাছতো খিলঞ্জীয়াৰ অধিকাৰ আৰু সুবিধা আদায়ৰ ক্ষেত্ৰত চৰকাৰী বিভাগসমূহে গৰিয়াক খিলঞ্জীয়া হিচাপে স্বীকাৰ নকৰাটো ৰহস্যজনক। গৰিয়াসকল কাগজে-পত্ৰই খিলঞ্জীয়া হৈ থাকিবনে বাস্তৱত খিলঞ্জীয়াৰ অধিকাৰ ভোগ কৰিবলৈ সুবিধা পাব এই ক্ষেত্ৰত চৰকাৰক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ সংগঠনটোৱে চৰকাৰক দাবী জনাইছে। দাবী পূৰণ নকৰিলে আন্দোলনৰ হুংকাৰ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মহাধিবক্তাৰ গোচৰ নচলিব ন্যায়াধীশ

কৰিব নালাগে। ৮ এপ্ৰিলত জাৰি কৰা এই নিৰ্দেশনা তাৎক্ষণিকভাৱে কাৰ্যকৰী হৈছে। জাননীখনত এই সিদ্ধান্ত গ্ৰহণ কৰাৰ কোনো কাৰণ উল্লেখ কৰা হোৱা নাই যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চৌহদ উত্তৰ গুৱাহাটীৰ ৰংমহল অঞ্চললৈ স্থানান্তৰ কৰাৰ প্ৰস্তাৱৰ সন্দৰ্ভত চলি থকা সংঘাতৰ সৈতে ইয়াৰ সম্পৰ্ক থকা বুলি চৰ্চিত হৈ পৰিছে। উল্লেখ্য, গুৱাহাটী উকীল সন্থাৰ তিনিজন জ্যেষ্ঠ অধিবক্তা ক্ৰমে কমল নয়ন চৌধুৰী, অনিল কুমাৰ ভট্টাচাৰ্য, আৰু পল্লৱ তালুকদাৰৰ বিৰুদ্ধে অসমৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই আদালত অৱমাননাৰ গোচৰ ৰুজু কৰিছিল। গুৱাহাটী বাৰ এছচিয়েচনৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা কমল নয়ন চৌধুৰীৰ নেতৃত্বত অধিবক্তা সমাজে উচ্চ ন্যায়ালয়ৰ চৌহদ হস্তান্তৰৰ প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছে। বাৰ এছ'চিয়েশ্যনে এই সিদ্ধান্তক গৰিহণা দি একপক্ষীয় আখ্যা দি এনে পদক্ষেপৰ সিদ্ধান্ত উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে ল'ব লাগে বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিমান যাত্ৰাত আনৰ চাৰ্জাৰ লৈ দিবলৈ

শৰ্মাই কথাবোৰ পাহৰা হৈছে। কথাবোৰ পাহৰিব ধৰাৰ বাবেই বিদেশ ভ্ৰমণ কৰিবলৈ গৈও বিমানৰ ভিতৰত পয়মাল লাগিল হিমন্ত বিশ্ব শৰ্মাৰ। সমীপৰ আসনত বহা লোকৰ ইন্টাৰনেচনল প্লাগ-চাৰ্জাৰ সুধি মোবাইল চাৰ্জ দিবলগীয়া হয় মুখ্যমন্ত্ৰীগৰাকীয়ে। কিন্তু প্লাগ-চাৰ্জাৰ লৈ মোবাইল চাৰ্জ দিলে ঠিকেই কিন্তু চাৰ্জাৰটো ওভতাই দিবলৈ পাহিৰ থাকিল মুখ্যমন্ত্ৰী। দেউলীয়া চৰকাৰ চলাবলৈ আনৰ পৰা ধাৰ লৈ লৈ মুখ্যমন্ত্ৰীয়ে এতিয়া বাস্তৱতাৰ পৰিৱৰ্তে ঋণৰ বোজাৰ এখন সপোনৰ ৰাজ্যত ঘূৰি ফুৰা হৈছে। যাৰ বাবে নিজৰ মোবাইলৰ চাৰ্জাৰো আনৰ পৰা ধাৰ লোৱাৰ মানসিকতা গঢ় লৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে হয়তো এই কথা পাহৰি গ'ল, যিজনে চাৰ্জাৰডাল ব্যৱহাৰ কৰিবলৈ দিছিল, সেই যুৱকজনে নিজৰ চাৰ্জাৰৰ জৰিয়তে ডিজিটেলী মুখ্যমন্ত্ৰীৰ মোবাইলৰ সকলো তথ্য লৈ যাব পাৰে। যিয়েই নহওক মোবাইলৰ চাৰ্জাৰ লৈ টোপনিত লালকাল হৈ মুখ্যমন্ত্ৰীয়ে প্লাগ-চাৰ্জাৰ ওভতাই দিব নোৱাৰি কিন্তু ক্ষমাও খুজিছে। মুখ্যমন্ত্ৰীয়ে এক্স হেণ্ডেলত পোষ্ট কৰি খোদ এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি পুৱা মই দিল্লীৰ পৰা ডুবাইলৈ এমিৰেটছৰ এখন বিমানত যাত্ৰা কৰিছিলো। য'ত এজন দয়ালু যুৱ ভদ্ৰলোকে মোক তেওঁৰ আন্তৰ্জাতিক প্লাগ আৰু চাৰ্জিং কেবল দিছিল। দুৰ্ভাগ্যৱশতঃ মই শুই থাকোঁতে তেওঁ ডুবাইত অৱতৰণ কৰিলে আৰু মই তেওঁক সেয়া ঘূৰাই দিব নোৱাৰিলো। মই এতিয়া আমষ্টাৰডামত উপস্থিত হৈছো আৰু তেওঁৰ সামগ্ৰী ঘূৰাই দিব নোৱাৰাৰ বাবে গভীৰভাৱে ক্ষমা বিচাৰিছো। যদি এই বাৰ্তাটো তেওঁৰ ওচৰলৈ যায়, অনুগ্ৰহ কৰি মোলৈ এটা পোনপটীয়া বাৰ্তা প্ৰেৰণ কৰক যাতে মই চাৰ্জাৰ আৰু কেবল তৎক্ষণাৎ ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব পাৰো। আপোনাৰ দয়াৰ বাবে ধন্যবাদ। আপোনাক যদি সমস্যাত পেলালো তেন্তে মই দুঃখিত। মুখ্যমন্ত্ৰীগৰাকীয়ে এনেদৰে নিজৰ ভুলৰ বাবে ক্ষমা খুজিছে। ইপিনে একাংশ নেটিজেনে মুখ্যমন্ত্ৰীয়ে এনেদৰে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা খোজাত ভূয়সী প্ৰশংসা কৰিছে। আনহাতে একাংশ লোকে মুখ্যমন্ত্ৰীক সমালোচনা কৰা পৰিলক্ষিত হয়। যদি এজন মুখ্যমন্ত্ৰীয়ে এনেদৰে পাহৰি যায় তেন্তে ৰাজ্য কেনেকৈ চলাব বুলি প্ৰশ্ন কৰিছে। আন একাংশই এয়া হিমন্ত বিশ্ব শৰ্মাৰ নাটক আখ্যা দিছে। এইটো মুখ্যমন্ত্ৰীৰ মনে সজা কাহিনী বুলি প্ৰমাণো দিলে একাংশ নেটিজেনে! বিদেশ ভ্ৰমণতো নিজৰ চাৰ্জাৰ নিবলৈ পাহৰা মুখ্যমন্ত্ৰীয়ে বিমানত অচিনাকি যুৱকৰ পৰা ইন্টাৰনেচনল প্লাগ আৰু চাৰ্জাৰ লোৱাৰ পিছতে টোপনি যোৱা কথাটো মানি ল'ব পৰা নাই একাংশ নেটিজেনে। মুখ্যমন্ত্ৰীক সেই যুৱকজনে যোগাযোগ কৰিছেনে নাই এই পৰ্যন্ত জানিব পৰা হোৱা নাই। যুৱকজনক লৈ সামাজিৰ মাধ্যমত চৰ্চা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতে বন্ধ কৰিলে বাংলাদেশৰ

প্ৰদান কৰা এটা গুৰুত্বপূৰ্ণ পৰিবহণ সুবিধা বাতিল কৰিছে। এতিয়ালৈকে ভাৰতীয় স্থল শুল্ক কেন্দ্ৰ (এলচিএছ), বন্দৰ, বিমানবন্দৰৰ জৰিয়তে বাংলাদেশৰ ৰপ্তানি তৃতীয় দেশলৈ প্ৰেৰণ কৰিব পৰা গৈছিল। এতিয়া সেই সুবিধা প্ৰত্যাহাৰ কৰা হৈছে। বুধবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, "বাংলাদেশক প্ৰদান কৰা ট্ৰেন্সশ্বিপমেন্টৰ সুবিধাই আমাৰ নিজৰ বন্দৰ আৰু বিমানবন্দৰত চৰম যান-জঁট আৰু বিলম্বৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলত ৰপ্তানিত বাধা আহিছিল আৰু বেকলগৰ সৃষ্টি হৈছিল।" উল্লেখ্য যে এই বছৰৰে ৮ এপ্ৰিলৰ পৰা কাৰ্যকৰী কৰা হৈছে এই প্ৰত্যাহাৰৰ সিদ্ধান্ত। অৱশ্যে বাংলাদেশৰ পৰা নেপাল বা ভুটানলৈ সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰত এই সিদ্ধান্তৰ কোনো প্ৰভাৱ নপৰে বুলি মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। কেন্দ্ৰীয় আবকাৰী আৰু শুল্ক ব'ৰ্ডে ৮ এপ্ৰিলত এক বিবৃতি জাৰি কৰি এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। বিবৃতি অনুসৰি ২০২০ চনৰ ২৯ জুনত দিয়া অনুমোদন এতিয়া বাতিল কৰা হৈছে। অৱশ্যে ইতিমধ্যে ভাৰতত প্ৰৱেশ কৰা বাংলাদেশী সামগ্ৰী নিৰ্ধাৰিত নিয়ম অনুসৰি বাহিৰলৈ ওলাই আহিব পাৰিব। বাণিজ্য বিশেষজ্ঞসকলৰ মতে, এই সিদ্ধান্তই ভাৰতীয় ৰপ্তানি উদ্যোগসমূহক অতিৰিক্ত সুবিধা প্ৰদান কৰিব। বিশেষকৈ বস্ত্ৰ, জোতা আৰু ৰত্ন আৰু গহনা আদি খণ্ডত ভাৰতক নতুন সম্ভাৱনা প্ৰদান কৰিব, য'ত পূৰ্বে বাংলাদেশ আছিল মূল প্ৰতিযোগী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি প্ৰধানমন্ত্ৰীৰ এই সিদ্ধান্ত উত্তৰ-পূবৰ সুৰক্ষাৰ স্বাৰ্থত বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তৰ নথি সংগ্ৰহত প্ৰাৰ্থীক বাধা

শাসকীয় দলৰ নেতা আৰু গুণ্ডাবাহিনীয়ে চৰম অত্যাচাৰ চলাইছে। কংগ্ৰেছৰ সম্ভাব্য প্ৰাৰ্থীসকলক ভয়-ভাবুকি দিয়াৰ লগতে প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহত বাধা দিয়া হৈছে। আজি এই অভিযোগ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন সাংসদ ৰাম প্ৰসাদ শৰ্মাই। এক সংবাদমেলত শৰ্মাই অসমৰ বিভিন্ন প্ৰান্তত কংগ্ৰেছ প্ৰাৰ্থীসকলক মনোনয়ন-পত্ৰ জমা নিদিবলৈ শাসকীয় পক্ষৰ ভেৰোণীয়া গুণ্ডাই ভীতি প্ৰদৰ্শন কৰিছে। শোণিতপুৰ আৰু বিশ্বনাথ জিলাত বিজেপি দলৰ সমৰ্থকসকলে কংগ্ৰেছ দলৰ প্ৰাৰ্থীক নথি আনিবলৈ যোৱাত বাধা দিয়াৰ লগতে অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শন কৰি ভাবুকি প্ৰদান কৰিছে। শৰ্মাই কয় যে শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি দাদুল বৰকটকী আৰু সাধাৰণ সম্পাদক ৰাজেশ পান্দিয়াই এই সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক অভিযোগ দাখিল কৰিছে। জামগুৰি আৰক্ষী থানাতো গোচৰ দিয়া হৈছে যদিও আৰক্ষীয়ে প্ৰাৰ্থীসকলক নিৰাপত্তা দিয়া অথবা দোষীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। শৰ্মাই কয় যে নদুৱাৰত পাঁচমাইল আৰু চকীঘাট এলেকাত কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলক প্ৰয়োজনীয় নথি সংগ্ৰহত বাধা প্ৰদান কৰা হৈছে। গহপুৰ মহকুমাতো অনুৰূপ ঘটনা ঘটিছে। গুৱাহাটী মহানগৰ জিলাৰ ৰাণী অঞ্চলতো কংগ্ৰেছ প্ৰাৰ্থীক ভাবুকি দিয়াৰ অভিযোগ উঠিছে। শৰ্মাই কয় যে বিজেপিৰ বিৰুদ্ধে ইতিমধ্যে এক ঢৌ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত শাসকীয় দলে পঞ্চায়ত নিৰ্বাচনত মুখ থেকেচা খোৱাৰ ভয়ত কংগ্ৰেছ কৰ্মীসকলক ভীতি প্ৰদৰ্শন কৰিছে। তেওঁ লগতে কয় যে বিভিন্ন নথি-পত্ৰ সংগ্ৰহৰ প্ৰক্ৰিয়াও অতি জটিল হৈ পৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী কৰি মুক্ত আৰু নিকা পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ আহ্বান জনায় প্ৰাক্তন সাংসদগৰাকীয়ে। সংবাদমেলখনত দলৰ উপ-সভাপতি মেহদী আলম বৰা উপস্থিত থাকে। ইপিনে কংগ্ৰেছ দলে এটা ভিডিঅ' প্ৰকাশ কৰি এই ঘটনাৰ উচিত তদন্ত দাবী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাম ৰহিমক আকৌ পেৰ'ল!

হৈ পৰা ডেৰা সচ্চা সৌদাৰ মুৰব্বী গুৰমীত ৰাম ৰহিম সিং পুনৰ এবাৰ ২১ দিনৰ বাবে ওলাই আহিল কাৰাগাৰৰ বাহিৰলৈ। বুধবাৰে হাৰিয়ানা চৰকাৰে তেওঁক পুনৰ পেৰ'লত মুকলি কৰি দিয়ে। জানুৱাৰী মাহৰ আৰম্ভণিতে তেওঁক ৩০ দিনৰ বাবে পেৰ'লত মুকলি কৰি দিয়া হৈছিল। ৫৭ বছৰীয়া স্বঘোষিত ধৰ্মগুৰুজনৰ বিৰুদ্ধে হত্যা আৰু ধৰ্ষণৰ একাধিক অভিযোগ আছে। ২০০২ চনত ডেৰা কমিটীৰ সদস্য ৰঞ্জিত সিঙৰ হত্যাকাণ্ডৰ গোচৰত গুৰমীতক দোষী সাব্যস্ত কৰা হৈছিল যদিও যোৱা বছৰৰ মে' মাহত হাৰিয়ানা আৰু পঞ্জাৱ উচ্চ ন্যায়ালয়ে তেওঁক এই গোচৰৰ পৰা দোষমুক্ত কৰে। কিন্তু ২০১৭ চনত দুগৰাকী শিষ্যক ধৰ্ষণ কৰাৰ অপৰাধত ২০ বছৰৰ কাৰাদণ্ড বিহা হৈছে স্বয়ম্ভু ভগৱানজনক। ইয়াৰ পিছতে ৰোহটকৰ সুনীয়া কাৰাগাৰত কাৰাবন্দী হৈ আছে ৰাম ৰহিম। উল্লেখ্য যে ২০২০ চনৰ পৰা বাৰে বাৰে পেৰ'লত বাহিৰলৈ ওলাই আহিছে ৰাম ৰহিম। বিগত পাঁচ বছৰত মুঠ ৩২৬ দিন তেওঁ লাভ কৰিছে পেৰ'ল। এই বছৰতে মুঠ ১৪২ দিন জে'লৰ পৰা বাহিৰত পাৰ কৰিছে গুৰমীত ৰাম ৰহিমে। বিভিন্ন মহলে তেওঁক সঘনাই পেৰ'লত মুকলি কৰি দিয়া সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে। অভিযোগ অনুসৰি হাৰিয়ানা, পঞ্জাৱ, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানত তেওঁৰ বৃহৎ অনুৰাগীৰ ভিত্তিয়ে ৰাম ৰহিমক ৰাজনৈতিকভাৱে প্ৰভাৱশালী কৰি তুলিছে, যাৰ বলত তেওঁ বাৰে বাৰে এই 'বিশেষ বিশেষাধিকাৰ' লাভ কৰিছে। বাৰে বাৰে পেৰল পোৱাত প্ৰতিক্ৰিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভয়-ভাবুকিয়ে টলাব নোৱাৰা

ৰাষ্ট্ৰীয় সন্মিলনত তেওঁ কয়, "আমি ৫০ শতাংশ সংৰক্ষণৰ দেৱাল ভাঙি দিম। তেলেংগানাত যি কৰা হ'ল, এইবাৰ আমি সমগ্ৰ দেশতে কৰিম।" জাতিগত লোকপিয়লৰ দাবী উল্লেখ কৰি বিজেপি-আৰএছএছক তীব্ৰ আক্ৰমণ কৰে লোকসভাৰ বিৰোধী দলপতিগৰাকীয়ে। ৰাহুলে কয়, "তেলেংগানাৰ জনসংখ্যাৰ ৯০ শতাংশ অ'বিচি, দলিত, অত্যন্ত পিছপৰা শ্ৰেণী, সংখ্যালঘু আৰু জনজাতীয়। কিন্তু ৰাজ্যখনৰ কৰ্পৰেট জগতত এই ৯০ শতাংশৰ কোনো প্ৰতিনিধিত্ব নাই। এজনো চিইঅ' বা ডাঙৰ পদত থকা ব্যক্তিও এই শিতানৰ নহয়। এয়া দেশৰ এক নিষ্ঠুৰ বাস্তৱ। তেলেংগানাত জাতি লোকপিয়লৰ পিছতহে অ'বিচিৰ বাবে সংৰক্ষণ ৪২ শতাংশলৈ বৃদ্ধি কৰা হৈছিল। এতিয়া কংগ্ৰেছে সমগ্ৰ দেশতে এই পথত আগবাঢ়িব।" তেওঁ কয় যে তেওঁ সংসদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশ্ন কৰিছিল, "এই দেশত কোনে কিহৰ অধিকাৰী সেইটো জানিবলৈ জাতিগত লোকপিয়লৰ প্ৰয়োজন। কিন্তু প্ৰধানমন্ত্ৰী আৰু তেওঁৰ গুৰু আৰ এছ এছ তেনে কৰিবলৈ ইচ্ছুক নহয়। কাৰণ তেওঁলোকে নিবিচাৰে যে জনসাধাৰণে জানিব যে দেশৰ সম্পদত কাৰ কি অংশ আছে।" ৰাহুলে আৰু কয়, "আমি সংসদত এই খচৰা আইন গৃহীত কৰিম। সংবিধানৰ নিশ্চয়তা সুৰক্ষিত হ'ব লাগিব, ন্যায় নিশ্চিত হ'ব লাগিব। এই যুদ্ধ সহজ নহয়, কাৰণ তেওঁলোকৰ হাতত সকলো আছে: সংবাদ মাধ্যম, ধন, প্ৰশাসন। কিন্তু আমাৰ পক্ষত দেশৰ জনসাধাৰণ আৰু সত্য আছে।" এই বৈঠকৰ পৰাই ৰাহুল নতুন ৱাকফ আইনখনক লৈ সৰৱ হৈ পৰে। তেওঁ অভিযোগ কৰে যে "ৱাকফ আইনখন ধৰ্মীয় স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ। ই সংবিধান বিৰুদ্ধ। বিজেপি আৰু আৰএছএছে ইটোৰ পিছত সিটো ধৰ্মীয় সংখ্যালঘুৰ অধিকাৰ কাঢ়ি নিয়াৰ পৰিকল্পনা কৰিছে। মুছলমানৰ পিছত এতিয়া তেওঁলোকে খ্ৰীষ্টানক লক্ষ্য কৰি লৈছে, তাৰ পিছত শিখৰ পাল আহিব।" আনহাতে ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি কংগ্ৰেছৰ লোকসভাৰ উপ-নেতা গৌৰৱ গগৈয়ে কয়, "যিসকলে ভাবুকি, লোভ আৰু প্ৰলোভনৰ মাজতো কংগ্ৰেছৰ পৰা আঁতৰি যোৱা নাই, যিসকলে এই কঠিন সময়ত দলৰ সৈতে আছে, তেওঁলোক আগন্তুক দিনত দলৰ প্ৰকৃত চেহেৰা হোৱা উচিত। তেওঁলোকক আগুৱাই আনিব লাগিব। তেতিয়াহে আমি প্ৰতিটো বিধানসভা নিৰ্বাচনত জয়ী হ'ব পাৰিম।" বিজেপিক লক্ষ্য কৰি তেওঁ কয়, "তেওঁলোকৰ দল এটা ব্যক্তিগত কোম্পানীৰ দৰে চলি থাকে, আনহাতে কংগ্ৰেছ এটা পৰিয়াল। আমি সেই পৰিয়ালৰ সদস্যসকলক উপযুক্ত মৰ্যাদা দিব লাগিব, আমি তেওঁলোকৰ কাষত থিয় দিব লাগিব।" উল্লেখ্য যে "ন্যায়ৰ পথঃ দৃঢ়তা, নিষ্ঠা আৰু সংগ্ৰাম" এই শ্লোগানেৰে আহমেদাবাদত আৰম্ভ হৈছে কংগ্ৰেছৰ ৮৪ সংখ্যক ৰাষ্ট্ৰীয় সন্মিলনত। ৬৪ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে গুজৰাটত এই সন্মিলন অনুষ্ঠিত হৈছে, য'ত ১৭০০ ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। অধিৱেশনৰ এদিন পূৰ্বে আহমেদাবাদত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়, য'ত প্ৰস্তাৱ আৰু কৌশলৰ ওপৰত আলোচনা কৰা হয়। সন্মিলনৰ পৰাই কংগ্ৰেছে বিজেপি-আৰএছএছৰ দেশপ্ৰেমমূলক অপপ্ৰচাৰৰ প্ৰতি সঁহাৰি জনাই কয় যে বল্লভভাই পেটেলৰ উত্তৰাধিকাৰ কংগ্ৰেছৰ, আৰু তেওঁৰ আদৰ্শৰ পথত তেওঁলোকে এই 'মতাদৰ্শগত যুঁজ' যুঁজিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকত ৰঙালীক উপহাস!

জাতিটো কোনটো দিশে গ'লে ভৱিষ্যৎ শক্তিশালী হ'ব সেয়া বিশ্ববিদ্যালয়কেইখনে কেইবা দশকৰ পূৰ্বেই চিন্তা-চৰ্চা কৰা বুলি কোৱা হয়। কিন্তু আশ্চৰ্যজনকভাৱে বিশ্ববিদ্যালয়ৰ পৰা লাহে লাগে জাতীয় ধ্যান-ধাৰণা বিলুপ্ত কৰিব খোজা হৈছে। জাতীয় চিন্তাধাৰাৰ পৰিৱৰ্তে ধৰ্মীয় কথা-বতৰাক গুৰুত্ব দিয়া হৈছে বিশ্ববিদ্যালয়ত। ধৰ্মীয় উৎসৱ-পাৰ্বণক গুৰুত্ব দিয়াৰ ফলতে এতিয়া ক্ৰমে অৱহেলিত হৈছে জাতীয় উৎসৱ-পাৰ্বণ। আজি বিশ্ববিদ্যালয়ৰ পৰা ৰঙালী বিহু, শংকৰদেৱৰ জন্মোৎসৱৰ বন্ধ আৰু অসম দিৱসৰ বন্ধ প্ৰত্যাহাৰ কৰা হৈছে। বৰাক উপত্যকাৰ শিলচৰস্থিত অসম বিশ্ববিদ্যালয়ৰ পৰা সকলো জাতীয় বন্ধ বাতিল কৰা হৈছে। শেহতীয়াকৈ বিশ্ববিদ্যালয়ে প্ৰকাশ কৰি বন্ধ তালিকা মতে, বিশ্ববিদ্যালয়খনে ৰঙালী বিহুৰ বন্ধ সমূলি বাতিল কৰিছে। এনেদৰে বাৰে বাৰে এইখন চৰকাৰৰ দিনত জাতীয় কাম-কাজক উপহাস কৰা হৈছে। অসমৰ জাতীয় সত্তাত আঘাত হনা হৈছে। মুখ্যমন্ত্ৰীয়ে যেন এনেদৰেই অসমবাসীক ৰঙালী বিহুক উপহাস কৰি বিহুৰ উপহাৰ দিলে অসমবাসীক। পূৰ্বৰ পৰা বিশ্ববিদ্যালয়খনে ৰঙালী বিহুৰ বন্ধ প্ৰদান কৰি আহিছিল যদিও বিগত কেইবাবছৰৰ দৰে এইবেলিও ৰঙালী বিহুৰ বন্ধ প্ৰত্যাহাৰ কৰিছে। বিশ্ববিদ্যালয়খন বঙালীভাষী বসতিপূৰ্ণ এলেকাত যদিও ব্ৰহ্মপুত্ৰ উপত্যকাৰ কেইবা শ লোক কৰ্মৰত। কেইবাটাও পৰিয়ালে অসম বিশ্ববিদ্যালয়ৰ চৌহদৰ আৱাসত বসবাস কৰে। তথাপি অধ্যক্ষই ৰহালী বিহুৰ বন্ধ বাতিল কৰিছে। পৰিয়ালসমূহে ৰঙালী বিহু চলি থকাৰ সময়তো কামত ব্যস্ত থাকিব লাগিব। তালিকা অনুসৰি হিন্দু ধৰ্মৰ উৎসৱৰ বাবে ১০ দিন, ইছলামধৰ্মৰ বাবে ৪ দিন, বৌদ্ধ-খ্ৰীষ্টান-শিখ আৰু জৈনৰ বাবে ৫ দিন বন্ধ ঘোষণা কৰা হৈছে। কিন্তু জাতীয় উৎসৱৰ বাবে থকা বন্ধ বাতিল কৰা হৈছে। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমৰ দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এয়াই নেকি বিজেপিৰ বৰাক-ব্ৰহ্মপুত্ৰৰ মাজৰ সমন্বয়। বিজেপিয়ে বাৰে বাৰে বৰাক-ব্ৰহ্মপুত্ৰৰ সমন্বয়ৰ কথা কয় যদিও বৰাকৰ তৰফৰ পৰা তেনে সমন্বয় দেখা নাযায়। অসমৰ এখন বিশ্ববিদ্যালয়ত যদি অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ বন্ধ আঁতৰাই দিয়া হৈছে, তেন্তে অসমীয়া জাতিৰ অস্তিত্ব অসমত প্ৰকৃততে আছে নে বুলি প্ৰশ্ন উত্থাপন হ'ব ধৰিছে? অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বন্ধ প্ৰত্যাহাৰ কৰাটো অসমবাসীৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক একো নাই বুলি উল্লেখ কৰিছে। যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে আমি অসমত বিভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ কথা কওঁ। কিন্তু এইখন অসমকত কিমান অসম বিদ্বেষী মানুহ আছে সেই কথা অসম বিশ্ববিদ্যালয়ে প্ৰমাণ কৰি দিছে। অসম আন্দোলনৰ ফলত জন্ম লোৱা বিশ্ববিদ্যালয়ত ৰঙালী বিহুৰ বন্ধ কিয় নাই বুলি প্ৰশ্ন কৰি চাংমায়ে কয় যে অসমীয়া জাতিৰ আৱেগ-অনুভূতি বিহুৰ সৈতে জড়িত। একাংশ মানুহে অসমীয়া মানুহৰ কৃষ্টি-সংস্কৃতি, কলা, ঐতিহ্যক মোহাৰি পেলাবলৈ খোজে। মনত অসম বিদ্বেষী মনোভাব লৈ ফুৰে। সেই বাবে আজিলৈ অসম বিশ্ববিদ্যালয়ে অসমীয়া জাতিক প্ৰতিনিধিত্ব কৰিব পৰা নাই। ইপিনে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই বিহুৰ বন্ধ বাতিল কৰাত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বৰাই কয় যে অসম বিশ্ববিদ্যালয় শিলচৰত ৰঙালী বিহুৰ বন্ধ নাই। জাতি-মাটি-ভেটিৰ পিছত এতিয়া জাতীয় উৎসৱেও ৰেহাই নোপোৱা হ'ল। এয়া উদ্বেগজনক কথা। ইয়াৰ উত্তৰ শাসকীয় বিজেপি দল দিব লাগিব। আনহাতে জ্যেষ্ঠ সাংবাদিক মনোজ গোস্বামীয়েও ইয়াক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গোস্বামীয়ে ৰঙালী বিহুৰ বন্ধ প্ৰত্যাহাৰ কৰাত ক্ষোভ ব্যক্ত কৰি কয় যে শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ ২০২৫ বৰ্ষৰ বন্ধৰ কেলেণ্ডাৰত বহাগ বিহুৰ বাবে কোনো বন্ধ নাই। আনকেইটা বিহুৰ কথা বাৰু নকলোৱেই। বাকী মহাবীৰ জয়ন্তী, মহৰম আদিত বন্ধ দিয়াটো বাৰু ভাল কথা। দুৰ্গাপূজাৰ বাবে দিয়া ২৬ দিনৰ বন্ধ ভাল কথা। কিন্তু বিশ্ববিদ্যালয়খনত অধ্যয়নৰত বহু ছাত্ৰ-ছাত্ৰী আৰু বিষয়া-কৰ্মচাৰী ব্ৰহ্মপুত্ৰ উপত্যকাৰ, তেওঁলোকৰ বাবে বিহু নাই। আন ৰাজ্যত এনে কাণ্ড সম্ভৱ নে?

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী সিংহলৰ কুকীৰ্তি! পত্নীৰ নামত

মাটি দখলৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। নিজ সমষ্টি ঢেকীয়াজুলিত মহিলা সমিতিৰ মাটি মন্ত্ৰীগৰাকীয়ে পত্নীৰ নামত নামজাৰি কৰি লৈ দখল কৰিব খোজাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। গোপনে পত্নীৰ নামত মহিলা সমিতিৰ মাটি পঞ্জীয়ন কৰাৰ তথ্য পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পত্নী শিল্পীশিখা আনন্দ সিংহলৰ নামত মন্ত্ৰী সিংহলে ৫ বিঘা মাটি পঞ্জীয়ন কৰিবলৈ বসুন্ধৰা আঁচনিত আবেদন কৰিছিল। কিন্তু সেই মাটি আছিল এটা মহিলা সমিতিৰ। নিজ সমষ্টি ঢেকীয়াজুলি সমষ্টিত এই কুকাণ্ড সংঘটিত কৰিছে সিংহলে। এই কুকীৰ্তি ফাদিল হোৱাত চৌদিশে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে সেয়া আছিল বৃহত্তৰ ঢেকীয়াজুলি মহিলা সজাগতা সমিতিৰ মাটি। বৃহত্তৰ ঢেকীয়াজুলি মহিলা সজাগতা সমিতিয়ে ঢেকীয়াজুলি ৰাজহ চক্ৰৰ ১৬৪ নং দাগৰ প্ৰায় ২২ বিঘা মাটি দুষ্ট চক্ৰৰ দখলৰ পৰা উদ্ধাৰ কৰি ২০ বছৰ ধৰি নিজৰ দখলত ৰাখিছে। পিছত মহিলা সমিতিয়ে সেই ২২ বিঘা মাটিৰ ভিতৰৰ ১৭ বিঘা মাটি প্ৰশাসনক গতাই দিয়ে। বাকী থকা মাটিখিনিত মহিলাসকলে সভা-সমিতি কৰিবলৈ আৰু সমাজসেৱা কৰিবলৈ ঘৰ নিৰ্মাণৰ লগতে বৃদ্ধ আশ্ৰম নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰে। প্ৰথমে অৱস্থাত মন্ত্ৰী অশোক সিংহলে মহিলা সমিতিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ে। মহিলা সমিতিক বৃদ্ধ আশ্ৰম নিৰ্মাণত সহায় কৰাৰ ভাও লয়। কিন্তু এইবোৰ আছিল মাটি দখল কৰাৰ কাৰচাজি। মহিলা সমিতিৰ সৈতে ঘনিষ্ঠ হোৱাৰ ভাও ধৰি তলে তলে মহিলা সমিতিৰ দখলত থকা ৫ বিঘা মাটি অশোক সিংহলে পত্নীৰ নামত পঞ্জীয়ন কৰিবলৈ বসুন্ধৰা আঁচনিত আবেদন কৰে। যেতিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ পৰা মহিলা সমিতিৰ লগতে ঢেকীয়াজুলিবাসীয়ে গম পায় তেতিয়া বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই ঘটনা পোহৰলৈ অহাৰ পিছতে আজি ঢেকীয়াজুলিৰ সচেতন নাগৰিকে এখন সভা অনুষ্ঠিত কৰে। ৰাজহুৱা সভাই মন্ত্ৰী সিংহলৰ কুকীৰ্তিসমূহ ৰাইজে উত্থাপন কৰে। সিংহলে কেনেদৰে ঢেকীয়াজুলি সমষ্টিত লুণ্ঠন চলাইছে সেয়া বিভিন্নজনে প্ৰকাশ কৰে। চাহ উদ্যোগ, বিভিন্ন ঠাইত মাটি দখল কৰাৰ বিষয়ে ৰাইজে তন্নতন্নকৈ উল্লেখ কৰে। ইয়াৰ লগতে শেহতীয়াকৈ মহিলা সমিতিৰ ভূমি দখল কৰিবলৈ বসুন্ধৰা আঁচনিত আবেদন কৰা কাৰ্যক তীব্ৰ গহিৰণা দিয়ে ৰাইজে। সভাৰ অন্তত বৃহত্তৰ ঢেকীয়াজুলি মহিলা সজাগতা সমিতিৰ নেতৃত্বই কয় যে আমি যেতিয়া মাটিখিনি আমাৰ মহিলা সমিতিৰ নামত পঞ্জীয়ন কৰি ল'বলৈ আবেদন কৰিছিলো তেতিয়া শিল্পীশিখা আনন্দ সিংহল নামৰ মহিলাগৰাকীৰ নামত আগতে আবেদন কৰি থোৱাই আছে। প্ৰথমে আমি মহিলাগৰাকী কোন জনা নাছিলো। পিছতহে গম পাইছো মহিলাগৰাকী মন্ত্ৰীৰ পত্নী। আমি বৃদ্ধ আশ্ৰমৰ বাবে মন্ত্ৰীগৰাকীৰ ওচৰলৈ গৈছিলো। মন্ত্ৰীয়ে বৃদ্ধ আশ্ৰম খোলাত সহায় কৰিম বুলি কৈছিল। কিন্তু আমি যেতিয়া বসুন্ধৰাত মাটিখিনি আবেদন কৰিবলৈ গ'লো তেতিয়া গম পালো যে মহিলা এগৰাকীৰ নামত এপ্লাই কৰা হৈছে। সেইগৰাকী মহিলা মন্ত্ৰীৰ পত্নী। আমি মন্ত্ৰীক এইক্ষেত্ৰত কথা পাতিবলৈ যোগাযোগ কৰো। কিন্তু মন্ত্ৰীয়ে কোনো গুৰুত্ব নিদিয়াত ৰাজহুৱা সভা পাতিবলগীয়া হয়। আজিৰ সভাত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। কিন্তু সভাখন অনুষ্ঠিত কৰাত বাধা দিছিল বিধায়কৰ গুণ্ডা বাহিনীয়ে। ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ শইকীয়া উপাধিৰ মহিলাৰ দ্বাৰা বাধা প্ৰদান কৰা হৈছিল। জন শইকীয়া, লিপিকা দাসৰ লগতে আৰক্ষীয়ে সভা অনুষ্ঠিত নকৰিবলৈ কৈছিল। সভাখন নাপাতি মহিলা সমিতিৰ নেতৃত্বক বিধায়কৰ ওচৰলৈ যাবৰ বাবে কৈছিল। আছুৰ প্ৰতিনিধি আজিৰ সভাত উপস্থিত থাকি কয় যে এইগৰাকী মন্ত্ৰীয়ে ছলে-বলে কৌশলে মিছন বসুন্ধৰাত মহিলা সমিতিৰ মাটি আবেদন কৰিছে। এয়া আছুৱে কেতিয়াও হ'ব নিদিয়ে। মন্ত্ৰী পত্নী শিল্পীৰ নামত মাটি পঞ্জীয়ন হ'ব নোৱাৰিব। যদি বৃদ্ধাশ্ৰাম চলাবলৈ ট্ৰাষ্টৰ প্ৰয়োজন হয় তাতেও মন্ত্ৰীৰ পৰিয়ালৰ লোক থাকিব নোৱাৰিব। যদি মন্ত্ৰী পৰিয়ালৰ লোকৰ নামত মাটি পঞ্জীয়ন কৰা হয় বৃদ্ধা আশ্ৰমৰ ট্ৰাষ্টত মন্ত্ৰীৰ মানুহ থাকে তেন্তে ভয়াৱহ প্ৰতিবাদ হ'ব বুলি সকীয়াই দিয়ে আছুৱে। একাংশ লোকে ঢেকীয়াজুলিৰ বৰ্তমানৰ পৰিৱেশ বিশ্লেষণ কৰি সভাত একাংশ লোকে কয় যে আজি আমি বিদেশীক থাকিবলৈ সুবিধা দিয়াত আমাৰ ওপৰত আজি অত্যাচাৰ আৰম্ভ হৈছে। মন্ত্ৰী অশোক সিংহলৰ এনে দুষ্কাৰ্য পোহৰলৈ অহাৰ পিছত জাঙুৰ খাই উঠিছে ঢেকীয়াজুলি সমষ্টিৰ সচেতন ৰাইজ। ৰাজহুৱা সভা পাতি মন্ত্ৰী অশোক সিংহলৰ এনে কাৰ্যক গৰিহণা দিয়ে সচেতন ৰাইজে। এইগৰাকী বণিয়া মন্ত্ৰীয়ে আৰু কিমান দুষ্কাৰ্য সংঘটিত কৰিব। থলুৱা মহিলাৰ মাটি দখল কৰিবলৈ সাহস কেনেকৈ কৰিলে সিংহলে? এতিয়া এইগৰাকী অনা-অসমীয়া মন্ত্ৰীৰ বিৰুদ্ধে বিজেপি দল আৰু চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে? মন্ত্ৰী অশোক সিংহলে গোপনে মহিলা সমিতিৰ মাটি পত্নীৰ নামত নামজাৰিৰ বাবে আবেদন কৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। কিন্তু মন্ত্ৰীগৰাকীৰ দুষ্কাৰ্য এয়াই প্ৰথম নহয়। কোটি কোটি টকাৰ মালিক হোৱা মন্ত্ৰী সিংহলে ঢেকীয়াজুলি সমষ্টিত যে দুষ্কাৰ্য সংঘটিত কৰিছে তেনে নহয়। ইয়াৰ পূৰ্বে অশোক সিংহলে ২০ কোটিটকীয়া কেলেংকাৰী সংঘটিত কৰিছিল। সিংহলে পূৰ্বৰ মন্ত্ৰিত্বৰ সময়ত গুৱাহাটী জিএমডিএৰ চুপাৰ ছাকাৰ ক্ৰয় কৰাৰ নামত বৃহৎ দুৰ্নীতি সংঘটিত কৰিছিল। ১.৩০ কোটিৰ একোখন চুপাৰ ছাকাৰ ২.৫০ কোটি টকাত ক্ৰয়ৰ নামত ২০ কোটিৰ বৃহৎ কেলেংকাৰী সংঘটিত কৰিছিল সিংহলে। অধিক মূল্যত ১০খন চুপাৰ ছাকাৰ ক্ৰয় কৰি ২০ কোটি টকীয়া কেলেংকাৰী সংঘটিত হৈছিল। অসম প্ৰদেশ কংগ্ৰেছৰ অফিচিয়েল ফেচবুক পেজত এই কাণ্ডক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। প্ৰদেশ কংগ্ৰেছে কয় যে মুখ্যমন্ত্ৰী পৰিয়ালক ফেৰ মাৰিবলৈ বণিয়া মন্ত্ৰী সিংঘলৰ পত্নীৰ মাটি দখলৰ ক'লা অধ্যায় পোহৰলৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি ঘোষণা নহয় মেট্ৰিকৰ

পৰীক্ষাৰ ফলাফল। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আনুষ্ঠানিক ঘোষণা কৰা নাই যদিও শীঘ্ৰে ফলাফল ঘোষণাৰ সম্ভাৱনা আছে। তাৰ মাজতে আজি একাংশ সংবাদ মাধ্যমত কাইলৈ মেট্ৰিকৰ ফলাফল ঘোষণা কৰা হ'ব পাৰে বুলি বাতৰি প্ৰকাশ কৰিছিল। তাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিদেশৰ পৰা সামাজিক মাধ্যমত স্পষ্ট কৰে যে কাইলৈ ফলাফল ঘোষণা কৰা নহয়। মুখ্যমন্ত্ৰীয়ে কয় যে সকলো অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মেট্ৰিক পৰীক্ষাৰ ফলাফল কাইলৈ প্ৰকাশ কৰা নহয়। ফলাফল প্ৰস্তুত হোৱাৰ লগে লগে ঘোষণা কৰা হ'ব। এই খবৰ প্ৰচাৰৰ পিছতে কাইলৈ মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা নহয় মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যদিও এই পৰ্যন্ত স্পষ্টীকৰণ দিয়া নাই অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে। ফলাফল ঘোষণাৰ পূৰ্বে জাননী দিয়া হ'ব বুলি উল্লেখ কৰিছে পৰিষদৰ এটা সূত্ৰই। প্ৰায় ৪.৩০ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত এইবাৰ শীৰ্ষ স্থানৰ ব্যৱস্থা নাথাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## ৱাকফ আইন বাতিলৰ দাবীত চচলত আমছুৰ উত্তাল প্ৰতিবাদ

# দেশৰ সংখ্যালঘুক টাৰ্গেট চৰকাৰৰ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** আজি গুৱাহাটী মহানগৰীৰ চচলত আমছুৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ২ সহস্ৰাধিক আমছুৰ নেতা-কৰ্মীয়ে চচলত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি ৱাকফ সংশোধনী আইন বাতিলৰ দাবী উত্থাপন কৰে। চচলৰ আকাশ-বতাহ কপাই আমছুৱে ৱাকফক আইন কোনো পধ্যেই মানি নোলোৱাৰ হুংকাৰ আমছুৱে। আমছুৰ নেতা-কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড লৈ চৰকাৰ বিৰোধী শেষাংশ ৭ পৃষ্ঠাত




ৱাকফ আইন বাতিলৰ দাবীত গুৱাহাটীত আমছুৰ প্ৰতিবাদ, ফটোঃ ই-সংবাদ, গুৱাহাটী

# ন্যায়াধীশ সুমন শ্যামৰ বিচাৰপীঠত মহাধিবক্তাৰ গোচৰ নচলিব

**ই-সংবাদ, ৯ এপ্ৰিলঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে এক জাননী জাৰি কৰি নিৰ্দেশ প্ৰদান কৰিছে যে অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়া জড়িত হৈ থকা গোচৰসমূহ ন্যায়াধীশ সুমন শ্যামৰ বিচাৰপীঠত তালিকাভুক্ত শেষাংশ ২ পৃষ্ঠাত

# কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ দিব নুৰুল হুদাই

**ই-সংবাদ, ৯ এপ্ৰিলঃ** সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি শীৰ্ষ নেতৃত্বৰ ৰোষত পৰাৰ পাছত মুখ খুলিছে ৰূপহীহাটৰ কংগ্ৰেছ বিধায়ক নুৰুল হুদাই। প্ৰদেশ কংগ্ৰেছে তেওঁলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে শেষাংশ ৮ পৃষ্ঠাত

# দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰ সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশনা

**ই-সংবাদ, ৯ এপ্ৰিলঃ** সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰ সন্দৰ্ভত এইবাৰ সৰৱ হৈছে অসম মানৱ অধিকাৰ আয়োগ। এটা গোচৰৰ ভিত্তিত ৰাজ্যিক মানৱ অধিকাৰ আয়োগখনে উত্তৰ বিচাৰিছে জিলা দণ্ডাধীশ আৰু পাণবজাৰ থানাৰ শেষাংশ ৭ পৃষ্ঠাত

# বিজেপিৰ বি-টীম হৈ কাম কৰি আছে এআইইউডিএফে

## অখিলৰ অভিযোগ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** পুনৰ বিজেপি আৰু এআইইউডিএফৰ বিৰুদ্ধে সৰৱ হৈছে ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। বদৰুদ্দিন আজমল নেতৃত্বাধীন দলটোৱে বিজেপিৰ বি-টীম হিচাপে কাম কৰি থকাৰ অভিযোগ উত্থাপন কৰে শিৱসাগৰ সমষ্টিৰ বিধায়কগৰাকীয়ে। মঙলবাৰে ধুবুৰীত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনী সভাত শেষাংশ ৭ পৃষ্ঠাত

# অসমত এদিনতে একেখন ৰে'লত দুবাৰকৈ দুৰ্ঘটনা

**ই-সংবাদ, ৯ এপ্ৰিলঃ** এইবাৰ অসম সংঘটিত হৈছে ৰে'ল দুৰ্ঘটনা। দুৰ্ঘটনাগ্ৰস্ত ৰে'ল খনৰ নম্বৰ ১২১৭৮। উত্তৰ অসমত চলন্ত ৰে'লৰ ইঞ্জিন চ্যুত হোৱাত প্ৰায় চাৰি কিঃমিঃ পৰ্যন্ত ইঞ্জিন অকলে গতি কৰে। ইঞ্জিনৰ পৰা দবাচ্যুত হোৱাত হাহাকাৰ শেষাংশ ৭ পৃষ্ঠাত

# অগপৰ মুখ্য কাৰ্যালয়ত জিলা প্ৰশাসনৰ উচ্ছেদৰ জাননী

## উৰণ সেঁতুৰ নামত মুখ্য কাৰ্যালয়ো তেজিব অগপই!

**ই-সংবাদ, ৯ এপ্ৰিলঃ** উচ্ছেদ হ'ব শাসকীয় বিজেপিৰ সহযোগী দল অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়। ইতিমধ্যে এই সম্পৰ্কীয় জাননী জাৰি কৰা হৈছে আঞ্চলিক ৰাজনৈতিক দলটোলৈ। আমবাৰীস্থিত মুখ্য কাৰ্যালয়টো ভাঙিবলৈ জাননী জাৰি কৰিছে কামৰূপ মহানগৰ জিলা প্ৰশাসনে। দীঘলীপুখুৰী-নুনমাটি সংযোগী উৰণসেতু নিৰ্মাণৰ বাবেই এই কাৰ্যালয় ভঙা হ'ব বুলি জানিব পৰা গৈছে। অগপৰ মুখ্য কাৰ্যালয়ৰ লগতে লগতে অসম ষ্টাৰ্ট আপৰ কাৰ্যালয় আৰু আন বহু কাৰ্যালয় আৰু দোকান ভাঙিব শেষাংশ ৮ পৃষ্ঠাত

# উপস্থিতিক লৈ শিক্ষকলৈ কঠোৰ নিৰ্দেশনা জাৰি

**ই-সংবাদ, ৯ এপ্ৰিলঃ** অসমৰ শিক্ষকসকলৰ বাবে এটা কঠোৰ নিৰ্দেশনা প্ৰকাশ কৰিছে শিক্ষা বিভাগে। বিশেষ নিৰ্দেশনা যোগে শিক্ষকসকল বিদ্যালয়ত উপস্থিত হোৱাৰ সময়ক লৈ কঠোৰ হৈছে চৰকাৰ। নিৰ্দেশমৰ্মে প্ৰতিগৰাকী শিক্ষকে শেষাংশ ৭ পৃষ্ঠাত

# তীব্ৰ প্ৰতিক্ৰিয়াৰ পিছত অসম বিশ্ববিদ্যালয়ত এদিনৰ বিহুৰ বন্ধ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ বন্ধ তালিকাত অসমৰ জাতীয় উৎসৱ বাপুতি সাহোন ৰঙালী বিহুৰ বন্ধ নথকাত সৰ্বত্ৰে তীব্ৰ প্ৰতিক্ৰিয়া হোৱাৰ পিছত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কালি ততাতৈয়াকৈ এখন জাননী যোগে আগন্তক ৰঙালী বিহু উপলক্ষে ১৫ এপ্ৰিলৰ দিনা এদিনৰ বন্ধ ঘোষণা কৰিছে। শিলচৰৰ অসম বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অসমীয়া মানুহৰ আবেগ অনুভূতিক এনেদৰে অৱজ্ঞা কৰা কাৰ্যক তীব্ৰ

### শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ কাণ্ডক তীব্ৰ গৰিহণা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ

### বাপতিসাহোন ৰঙালী বিহুত নাই এদিনৰো বন্ধ, ক্ষুব্ধ ছাত্ৰ-ছাত্ৰী

গৰিহণা দিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নে কয় যে শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দেশৰ সংখ্যালঘুক টাৰ্গেট চৰকাৰৰ

শ্ল’গান দি পৰিস্থিতি উত্তাল কৰি তোলে। আৰক্ষীৰ বিধা নামানি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আমছুৰ নেতা-কৰ্মীয়ে উশৃংখল পৰিস্থিতি সৃষ্টি কৰাৰ আশংকাত অধিক আৰক্ষীয়ে মোতায়েন কৰিবলগীয়া হয়। লগতে আৰক্ষীয়ে আমছুৰ প্ৰতিবাদীকাৰীসকল গুৱাহাটীলৈ অহাত বাধা দিয়াৰ অভিযোগ আনে নেতাসকলে। আমছু নেতৃত্বই চৰকাৰে কেৱল দেশৰ সংখ্যালঘু হোৱাৰ কাৰণেই মুছলমানক টাৰ্গেট কৰিছে বুলি অভিযোগ আনি সংখ্যালঘুক টাৰ্গেট কৰা বন্ধ কৰাৰ দাবী জনাইছে। লগতে আমছুৰ নেতৃত্বই কয় যে ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে কাইলৈৰ পৰা প্ৰায় সকলো জিলাতে আৰক্ষীৰ জৰিয়তে প্ৰতিবাদ দমন কৰিব খুজিছে। আমছুৰ সৈনিকসকলক অংশগ্ৰহণ কৰাত বাধা প্ৰদান কৰাৰ পিছতো আজি আমি চৰকাৰৰ এই হিটলাৰী ও দমননীতিক ওফৰাই আমছুৱে প্ৰতিবাদ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ৱাকাফ আইন গৃহীত কৰি ভাৰতবৰ্ষৰ মুছলমানৰ সম্পত্তিসমূহ কাঢ়ি নিব বিচাৰিছে। গুৱাহাটীৰ চচলত ৱাকফ বিৰোধী প্ৰতিবাদত অংশগ্ৰহণ কৰিবলৈ যোৱা আমছু নেতাক আৰক্ষীয়ে বাধা প্ৰদান কৰাৰ অভিযোগক লৈ আজি সোচ্ছাৰ হোৱা দেখা যায় আমছুৰ নেতাক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তীব্ৰ প্ৰতিক্ৰিয়াৰ পিছত অসম

অসমীয়া মানুহৰ আবেগ জড়িত, অসমীয়াৰ বাপুতি সাহোন ৰঙালী বিহুত অসমত থকা এখন বিশ্ববিদ্যালয়ে বৈষম্যমূলক দৃষ্টিভংগীৰে বন্ধ ঘোষণা নকৰাটো অতিকৈ দুৰ্ভাগ্যজনক বিষয়। উল্লেখযোগ্য যে পূৰ্বতেও শিলচৰৰ অসম বিশ্ববিদ্যালয়ে অসমীয়া ভাষা বিদ্বেষী নিতী গ্ৰহণ কৰি কেবল বঙালী ভাষা সংস্কৃতিক প্ৰাধান্য দিয়া কেইবাটাও দৃষ্টান্ত আছে। ইফালে বিগত ১০ ডিচেম্বৰ ২০২৪ তাৰিখে অসম বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰা বন্ধৰ তালিকাত বহাগ বিহুৰ বন্ধ নথকাত সৰ্বত্ৰে প্ৰতিক্ৰিয়া হোৱাৰ পিছত কালি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বহাগ বিহুৰ বাবে ১৫ এপ্ৰিলৰ দিনা মাত্ৰ এদিনৰ বন্ধ ঘোষণা কৰা কাৰ্যকো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতাদ্বয়ে । পৰিষদৰ নেতাদ্বয়ে কয় যে শিলচৰৰ অসম বিশ্ববিদ্যালয়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন প্ৰান্তৰ শ শ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। বিশ্ববিদ্যালয় খনে অসমীয়াৰ আটাইতকৈ ডাঙৰ উৎসৱ ৰঙালী বিহুৰ বাবে মাত্ৰ এদিনৰ বন্ধ দিয়াৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বৃহৎ সমস্যা হব। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰ-ছাত্ৰী সকল শিলচৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন প্ৰান্তত নিজ নিজ গৃহলৈ বিহু পালন কৰিবলৈ এদিনৰ বন্ধত যোৱাটো কেতিয়াও সম্ভৱ নহয়। শিলচৰৰ অসম বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ প্ৰতি কোনো সম্ভাৱ নাই আৰু বিশ্ববিদ্যালয় খনত অধ্যয়ন কৰি থকা অসমীয়া ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিও কোনো দায়বদ্ধতা নাই বুলি স্পষ্ট ভাষাৰে প্ৰকাশ কৰি যুৱ-ছাত্ৰ পৰিষদৰ নেতাদ্বয়ে ৰঙালী বিহুৰ বন্ধ ৩ দিনলৈ বৃদ্ধি কৰিবলৈ দাবী জনায় আৰু ভবিষ্যতে অসমীয়া মানুহৰ আবেগ অনুভূতি তথা অসমৰ ভাষা সংস্কৃতিৰ প্ৰতি বৈষম্যমূলক নীতি প্ৰদৰ্শন নকৰিবলৈ সকিয়াই দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# উপস্থিতিক লৈ শিক্ষকলৈ কঠোৰ

বিদ্যালয়ত ৯ বজাৰ পূৰ্বে উপস্থিত হ’ব লাগিব। শিক্ষা সেতু এপত বাধ্যতামূলকভাৱে উপস্থিতি দিব লাগিব। কোনো শিক্ষকে যি একেৰাহে ৩ দিন শিক্ষা সেতু এপত উপস্থিত নাথাকে তেন্তে নৈমিত্তিক ছুটী গণ্য কৰিব বিভাগে। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত পাঠদান কৰিব লাগিব পিজিটি-এ। বিয়লি ৪.৩০ বজালৈ বিদ্যালয়ত থাকিব লাগিব শিক্ষকসকল। অনা-শৈক্ষিক কামত নিয়োজিতসকলে ১০ বজাৰ পূৰ্বে উপস্থিত হ’ব লাগিব। হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়সমূহ ৩.২৫ বজালৈকে খোলা ৰাখিব লাগিব। ২.০৫ বজালৈ খোলা থাকিব মহানগৰীৰ সকলো প্ৰাথমিক বিদ্যালয়। এম ই, এম ভি স্কুল ৩.২৫ বজা পৰ্যন্ত খোলা ৰাখিব লাগিব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসমত এদিনতে একেখন ৰে’লত

লাগে যাত্ৰীৰ। উত্তৰ লখিমপুৰৰ পৰা গুৱাহাটী অভিমুখী জনশতাব্দী এক্সপ্ৰেছৰ দবা নাওবৈচাৰ চিলনীবাৰী ৰে’ল ষ্টেচনত লাইনচ্যুত হয়। যাৰ ফলত নাওবৈচাৰ চিলনীবাৰী ৰে’ল ষ্টেচনত হাহাকাৰ লাগে। প্ৰথমে ইঞ্জিনৰ পৰা লাইনচ্যুত হোৱাত যাত্ৰীৰ মাজত হাহাকাৰ লাগে যদিও পুনৰ সংযোগ কৰা হয়। দবাৰ সৈতে ইঞ্জিন সংযোগ বিচ্ছিন্ন হোৱাত পুনৰ সংযোগ কৰি চলিবলৈ আৰম্ভ কৰে যদিও প্ৰায় এঘণ্টাৰ মূৰত একেখন ৰে’ল লাইনচ্যুত হয়। পুনৰ একেখন ৰে’ল হাৰমতী জংছনৰ পৰা কিছু দূৰত লাইনচ্যুত হোৱাত হাহাকাৰ লাগে। টিপলিং উৰণীয়া সেঁতুৰ ওচৰত ইঞ্জিনৰ পৰা দবা বিচ্ছিন্ন হৈ পৰে। ৰে’লত সংঘটিত এনে ঘটনাই এতিয়া স্বাভাৱিকতে শংকিত কৰিছে যাত্ৰীক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰ সন্দৰ্ভত

ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ পৰা। আয়োগে দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰ সন্দৰ্ভত পাণবজাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক কিয় দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা হৈছিল, সেই সন্দৰ্ভত থকা গোচৰৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। লগতে আয়োগে কামৰূপ মহানগৰ জিলা দণ্ডাধীশক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰ সন্দৰ্ভত এটা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰাৰ বাবেও নিৰ্দেশনা প্ৰদান কৰে। লগতে আয়োগে এই তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ বাবেও নিৰ্দেশনা প্ৰদান কৰিছে। সাংবাদিকগৰাকীক গ্ৰেপ্তাৰৰ পাছতেই ৰূপনগৰস্থিত অসম মানৱ অধিকাৰ আয়োগৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছিল মানৱ অধিকাৰ কৰ্মী প্ৰণৱজ্যোতি চেতিয়া আৰু সাংবাদিক ঋত্বিক শইকীয়াই। তেওঁলোকৰ এই গোচৰৰ ভিত্তিতেই আয়োগে শেহতীয়াকৈ প্ৰদান কৰিছে এই নিৰ্দেশনা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিজেপিৰ বি-টীম হৈ কাম কৰি আছে

অংশগ্ৰহণ কৰি অখিল গগৈয়ে কয় যে এই দুয়োটা দলে অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ কৰিবলৈ পৰস্পৰে পৰস্পৰক গোপনে সহযোগিতা কৰি আহিছে। অখিল গগৈৰ অভিযোগ, বিজেপি আৰু এআইইউডিএফে ৰাইজৰ সন্মুখত বিৰোধীৰ ভাও ধৰিলেও প্ৰকৃততে পৰস্পৰে পৰস্পৰক সহায় কৰি আহিছে। তেওঁ দুয়োটা দল একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি বুলি কটাক্ষ কৰি বিভাজনকাৰী ৰাজনীতিৰে সফল হ’বলৈ দিয়া নহ’ব বুলি হুংকাৰ প্ৰদান কৰে। অখিল গগৈয়ে লগতে ক’য় যে ৰাইজৰ দলে সঠিক প্ৰাৰ্থীৰে পঞ্চায়ত নিৰ্বাচনত অংশ লৈ জনতাৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিব। ২ আৰু ৭ মে’ত দুটা পৰ্যায়ত ২৫,০০৭টা ভোটকেন্দ্ৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। অখিল গগৈয়ে কয় যে ৰাইজৰ দলে এআইইউডিএফক কেইবাটাও অঞ্চলত দুৰ্বল কৰিছে আৰু এই ধাৰা ৰাইজৰ দলে অব্যাহত ৰাখিব। অৱশ্যে বিজেপিৰ বি-টীম বুলি অখিল গগৈয়ে উত্থাপন কৰা অভিযোগ নাকচ কৰিছে এআইইউডিএফে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অগপৰ মুখ্য কাৰ্যালয়ত জিলা প্ৰশাসনৰ

বিভাগীয় কৰ্তৃপক্ষই। দীঘলীপুখুৰী-নুনমাটি উৰণ সেতু নিৰ্মাণৰ বাবে অসম চৰকাৰে ভূমি অধিগ্ৰহণ কৰিব। চাৰিলেনযুক্ত পথ নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উৰণ সেতু নিৰ্মাণৰ বাবে কাৰ্যালয় বা দোকান আদি ভাঙিবলৈ মুঠ ১৩ গৰাকী ব্যক্তি তথা অনুষ্ঠানলৈ জাননী জাৰি কৰিছে কামৰূপ মহানগৰৰ জিলা প্ৰশাসনে। ইমানেই নহয়, ৰাজপথৰ কাষত থকা বহু গছ কটা যাব উৰণ সেতু নিৰ্মাণৰ নামত। স্মৰ্তব্য যে ইয়াৰ পূৰ্বেও উৰণ সেতু নিৰ্মাণৰ বাবে মহানগৰীৰ বহু গছ কাটি তহিলং কৰিলে অসম চৰকাৰে। এইবাৰ পুনৰ এবাৰ উৰণ সেতু নিৰ্মাণৰ বাবে গছ কটাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰে। কিছুদিন পূৰ্বে দীঘলীপুখুৰীৰ গছ কটাৰ সিদ্ধান্তক লৈ মহানগৰীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত হৈছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা সমাজৰ জ্যেষ্ঠ নাগৰিকসকলে কৰা প্ৰতিবাদৰ আগত হাৰ মানিছিল চৰকাৰ আৰু বাতিল কৰিছিল দীঘলীপুখুৰী পাৰৰ গছ কটাৰ সিদ্ধান্ত। কিন্তু এইবাৰ পুনৰ অন্য ঠাইৰ গছ কাটিবলৈ ওলাইছে চৰকাৰ। কেৱল ইমানেই নহয়, নতুন উৰণ সেতুৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ যো-জা চলাইছে অসম চৰকাৰে। চৰকাৰে লোৱা এনেবোৰ সিদ্ধান্তৰ বিৰুদ্ধে এতিয়া ক্ষোভিত হৈ পৰিছে ৰাইজ। উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধিতা কৰিছে একাংশই, ইয়াৰোপৰি পুনৰ গছ কাটিবলৈ ওলোৱা বাবে চৰকাৰক কৰিছে তীব্ৰ সমালোচনা। কিন্তু এইবোৰলৈ ভ্ৰূক্ষেপ নাই চৰকাৰৰ। উৰণ সেতু নিৰ্মাণৰ নামত গুৱাহাটীৰ গছ কাটি নোহোৱা কৰিবলৈ ওলাইছে শৰ্মা চৰকাৰে। উৰণ সেতু নিৰ্মাণৰ নামত চৰকাৰে আৰু কিমান প্ৰকৃতি ধ্বংস কৰিব সেয়া সময়েহে ক'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ দিব

বিধায়কগৰাকীয়ে। তেওঁ কয়, “মই কোনো দল বিৰোধী কামত লিপ্ত হোৱা নাই যাৰ বাবে দলে মোক কাৰণ দৰ্শোৱাৰ জাননী প্ৰদান কৰিব।” তেওঁলৈ কাৰণ দৰ্শোৱাৰ জাননী আহিলে ইয়াৰ উত্তৰ দিবলৈ প্ৰস্তুত বুলিও জানিবলৈ দিয়ে। নুৰুল হুদাৰ মতে, তেওঁ কোনো দল বিৰোধী কামত লিপ্ত হোৱা নাই। লগতে বিধায়কগৰাকীয়ে শীৰ্ষ নেতৃত্বৰ ওপৰত কোনো অভিযোগ উত্থাপন কৰা নাই বুলিও নিজৰ স্থিতি সংবাদ মাধ্যমৰ সন্মুখত স্পষ্ট কৰিছে। দলটোৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰি হুদাই পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিধায়কসকল নিজৰ নিজৰ সমষ্টিত থকাৰ বিষয়টোত পুনৰ এবাৰ গুৰুত্ব আৰোপ কৰে। তেওঁৰ মন্তব্য, “দলটোৰ প্ৰতি মোৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে মই উল্লেখ কৰিছিলোঁ যে প্ৰাৰ্থীসকলৰ মাজত স্থানীয় বিধায়কৰ উপস্থিতিয়ে তেওঁলোকৰ মনোবল আৰু অধিক বৃদ্ধি কৰিব। প্ৰাৰ্থীসকল বিভিন্ন ভয়-ভাবুকিৰ সন্মুখীন হৈছে। সেইবাবেই মই উল্লেখ কৰিছিলোঁ যে সকলো বিধায়ক নিজ নিজ সমষ্টিত উপস্থিত থাকিব লাগে।” সেয়ে তেওঁ কাৰণ দৰ্শোৱাৰ জাননীৰ প্ৰয়োজনীয়তাক নাকচ কৰি দৃঢ়তাৰে কয় যে, “এই বিষয়ত মোক কাৰণ দৰ্শোৱাৰ জাননী প্ৰদান কৰাৰ কোনো প্ৰয়োজন নাই।” মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বে বিধায়কগৰাকীয়ে দলৰ নেতাসকলক পৰোক্ষভাৱে সমালোচনা কৰি ঠাট্টা-মস্কৰাৰ সুৰত বক্তব্য দিয়া দেখা গৈছিল। তেওঁ কৈছিল, “পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে যিসকল নেতা ৰাজ্যৰ বাহিৰত আছে, তেওঁলোক নিশ্চিত যে তেওঁলোকে নিৰ্বাচনত জয়ী হ'ব। তেওঁলোকে নিজৰ সময় প্ৰচাৰত নিদিয়ে। ভাল কথা যে তেওঁলোক ৰাজ্যৰ বাহিৰত ভ্ৰমণত আছে, তাত কোনো সমস্যা নাই। তেওঁলোকে ভ্ৰমণ কৰিব, খাব, আৰু উপভোগ কৰিব। তেওঁলোকৰ আত্মবিশ্বাস আছে, কিন্তু মোৰ সেই আত্মবিশ্বাস নাই। সেইবাবেই মই এআইচিচিৰ বৈঠকত উপস্থিত নাথাকিলো।” এই মন্তব্য সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছে বিধায়কগৰাকীক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰি তেওঁৰ মন্তব্য সন্দৰ্ভত স্পষ্টীকৰণ বিচাৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সহস্ৰজনৰ চকুলোৰে শেষকৃত্য প্ৰদীপ

চিকিৎসাধীন অৱস্থাত কালি মৃত্যু হোৱা আদিবাসী জনগোষ্ঠীৰ বলিষ্ঠ নেতাগৰাকীৰ নশ্বৰ দেহ বিমানযোগে আজি পুৱা গুৱাহাটী বিমান বন্দৰলৈ অনা হয়। তাৰপৰা পোনে পোনে ওদালগুৰি জিলাৰ আটেৰীঘাট, ডিমাকুছি, পানেৰী হৈ ওদালগুৰিৰ বেঘাপাৰাৰ নিজৰ বাসভৱনলৈ অনা হয়। গৃহলৈ অহাৰ পথত হাজাৰ হাজাৰ লোকে তেওঁৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নাগৰ নশ্বৰ দেহ ওদালগুৰি আহি পোৱাৰ পূৰ্বৰ পৰাই অগণন লোকে অপেক্ষা কৰি অছিল প্ৰিয় নেতাগৰাকীক অন্তিমবাৰৰ বাবে চাবলৈ। দিনৰ প্ৰায় ১ মান বজাত আহি পোৱাৰ লগে লগে কান্দোনৰ ৰোল উঠে তেওঁৰ বাসভৱন চৌহদত। আদিবাসী জনগোষ্ঠীৰ সকলো দল-সংগঠনৰ লগতে আছু, এবছু, এ জে ৱাই চি পি, কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা, ইউ পি পি এল, বি পি এফকে ধৰি বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নাগৰ নশ্বৰ দেহত। ১৯৭৮ চনত জন্মলাভ কৰি উচ্চ শিক্ষা লৈ আদিবাসী জনগোষ্ঠীৰ হকে নিজকে সমৰ্পণ কৰে প্ৰদীপ নাগে। আদিৱাসী জনগোষ্ঠীক সন্মুখৰ পৰা নেতৃত্ব দিয়া আপোচবিহীন নেতাগৰাকী মাত্ৰ ৪৬ বছৰ বয়সতে চিৰদিনৰ বাবে হেৰাই গ'ল। ১৯৯৮ চনত আছাত যোগদান কৰাৰ পিছত বিভিন্ন পদ অলংকৃত কৰি প্ৰায় ৬ বছৰ পূৰ্বে আছাৰ কেন্দ্ৰীয় সভাপতি পদত অধিষ্ঠিত হয়। আপোচবিহীনভাৱে নিজৰ জনগোষ্ঠীটোৰ হকে সংগ্ৰাম অব্যাহত ৰখাৰ সময়তে ১৫ মাৰ্চত হঠাৎ অসুস্থ হৈ পৰে। তেজপুৰ তাৰ পিছত গুৱাহাটীত চিকিৎসা প্ৰদান কৰাৰ পিছত অসম চৰকাৰৰ সহয়োগত উন্নত চিকিৎসাৰ বাৱে দিল্লীৰ মেদান্ত হাস্পতালত ভৰ্তি কৰা হয়। বহুদিন ধৰি মৃত্যুৰ সৈতে যুঁজ কৰাৰ পিছত মঙলবাৰে শেষ নিশ্বাস ত্যাগ কৰে নেতাগৰাকীয়ে। গুৱাহাটীৰ পৰা এম্বুলেঞ্চযোগে গৃহলৈ অহা পথৰ বিভিন্ন স্থানত ৰাইজে শ্ৰদ্ধা নিবেদন কৰে প্ৰয়াত নাগৰ নশ্বৰ দেহত। সমান্তৰালভাৱে ওদালগুৰি চহৰত এক বিশাল সমদল উলিয়াই প্ৰদীপ নাগ অমৰ হওক ধ্বনিৰে কঁপাই তোলা হয়। নাগৰ এই অন্তিম যাত্ৰাত অসম চৰকাৰৰ হৈ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে। তেওঁ নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জনাই কয়, "আমি বহু চেষ্টা কৰিছিলো নেতাগৰাকীক সুস্থ্ কৰি তুলিবলৈ। কিন্তু হাৰ মানিব লগা হ'ল নিয়তিৰ ওচৰত। তেওঁৰ মৃত্যুৰ দুখ সহ্য কৰিবলৈ পৰিয়ালৰ লগতে প্ৰতিগৰাকী আদিবাসী জনগোষ্ঠীক ভগৱানে শক্তি দিয়ক তাৰে কামনা কৰিছোঁ।" আছাৰ প্ৰতিষ্ঠাপক সম্পাদক যোছেফ মিঞ্জে কয়, "আমি এজন অবিভাৱক হেৰুৱালোঁ। প্ৰদীপ নাগৰ মৃত্যু আদিবাসী জনগোষ্ঠীৰ বাৱে অপূৰণীয় ক্ষতি। প্ৰদীপ নাগে নিজৰ জনগোষ্ঠীৰ প্ৰাপ্য আদায়ৰ বাবে কাৰো সৈতে আপোচ কৰা নাছিল" বুলি মন্তব্য কৰি নেতাগৰাকীক জাতিটোৱে সদায়ে এই ত্যাগ মনত ৰাখিব বুলি উল্লেখ কৰে। নাগৰ বাসভৱনত উপস্থিত হৈ নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জনাই প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীয়ে প্ৰদীপ নাগক নিজৰ ভায়েকৰ দৰে আছিল বুলি মন্তব্য কৰে। বিধায়ক লৰেঞ্চ ইছলাৰীয়ে আদিবাসী নেতাগৰাকীলৈ শেষ শ্ৰদ্ধাঞ্জলি জনাই কয়, "মই এবছুৰ সভাপতি হৈ থকা সময়তে প্ৰদীপ নাগক লগ পাইছিলোঁ। তেওঁ সঁচাকৈ এজন জাতীয় নেতা আছিল।" বি টি চিৰ কাৰ্যবাহী সদস্য ড° নিলোৎ স্বৰ্গীয়াৰী, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিণ্টু চক্ৰৱৰ্তী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতা মুকুট দাসেও নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। পিছত প্ৰদীপ নাগৰ মৃতদেহ বেঘাপাৰাৰ গিৰ্জালৈ নি তাত অন্তিমবাৰৰ বাৱে সমূহীয়াভাৱে শ্ৰদ্ধাঞ্জলি জনায়। সেই সময়তে আছাৰ ভাৰপ্ৰাপ্ত সম্পাদক দেৱেন ওৰাঙে প্ৰয়াত আছাৰ সভাপতি প্ৰদীপ নাগক জাতীয় নায়ক ঘোষণা কৰাৰ লগতে তেওঁৰ মৃত্যুৰ দিনটো (৮ এপ্ৰিল) জাগৃতি দিৱস হিচাপে পালন কৰাৰ বাৱে সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা ৰাইজক অৱগত কৰে। এই সিদ্ধান্ত আছাৰ আটাইকেইটা গোটে আলোচনাৰ ভিত্তিত লোৱা বুলিও সমুহীয়াকৈ ঘোষণা কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছত অগণন লোকৰ উপস্থিতিত শোকাকুল পৰিবেশত যথা ৰীতি মতে প্ৰদীপ নাগৰ নশ্বৰ দেহ খ্ৰীষ্টানসকলৰ কবৰস্থানত সমাধিস্থ কৰা হয়।

মাজুলীত অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণত ভয়ংকৰ দুৰ্নীতি, চিডিপিঅ'লৈ সন্দেহৰ আঙুলি

# নিৰ্মাণৰত অৱস্থাতে খহি পৰিল মতিয়াবাৰী-মোহনপুৰ অংগনৱাড়ী কেন্দ্ৰ

**ই-সংবাদ, মধ্য মাজুলী, ৯ এপ্ৰিলঃ** অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণত যে ৰাজ্যজুৰি ভয়ংকৰ দুৰ্নীতি সংঘটিত হৈছে সেয়া শেহতীয়াকৈ এগৰাকী চিডিপিঅ'ক গ্ৰেপ্তাৰেই বিষয়টো পোহৰলৈ আহিছে। একাংশ চিডিপিঅ'ই কেন্দ্ৰসমূহ নিৰ্মাণত ঠিকাদাৰৰে মিলি কোটি কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ সন্দৰ্ভত চি এম ভিজিলেন্সে সম্প্ৰতি তদন্ত অব্যাহত ৰখাৰ মাজতে মাজুলীতো অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণত ভয়ংকৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ স্বতন্ত্ৰ জিলা হিচাপে মাজুলীয়ে বিভিন্ন উন্নয়নমূলক আঁচনিৰ অধীনত পৰ্যাপ্ত পুঁজিৰ আৱণ্টন পাই অহাৰ সমান্তৰালভাৱে উক্ত আঁচনিসমূহ ৰূপায়ণত অবাধ হাৰত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ সমাজ কল্যাণ বিভাগৰ অধীনত মাজুলীৰ বিভিন্ন স্থানত অংগনৱাড়ী কেন্দ্ৰসমূহ নিৰ্মাণৰ বাবে একোটাকৈ কেন্দ্ৰৰ বিনিময়ত ২৫ লাখ টকাকৈ ধাৰ্য কৰি কেন্দ্ৰসমূহ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে যদিও এতিয়া একাংশ ঠিকাদাৰে উক্ত কেন্দ্ৰসমূহ নিৰ্মাণত অবাধ দুৰ্নীতি সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সমান্তৰালভাৱে মাজুলীৰ মতিয়াবাৰী-মোহনপুৰ অংগনৱাড়ী কেন্দ্ৰটোৰ নিৰ্মাণৰ বাবেও ২৫ লাখ টকাৰ পুঁজি আৱণ্টন হৈছিল। সেই অনুসৰি কেন্দ্ৰটোৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছিল যদিও সম্প্ৰতি কেন্দ্ৰটোৰ নিৰ্মাণত আৰম্ভণিতে ভয়ংকৰ দুৰ্নীতিৰ



অভিযোগ উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি নিৰ্মাণৰত কেন্দ্ৰটো গৃহৰ কালি মিস্ত্ৰীয়ে ফৰ্মা খোলাৰ সময়তে নিৰ্মীয়মাণ গৃহটোৰ ৱাল আৰু বীমপৰ্যন্ত তললৈ খহি পৰে। যাৰ লগে লগে এতিয়া গৃহটোৰ নিৰ্মাণত দায়িত্বপ্ৰাপ্ত ঠিকাদাৰগৰাকীয়ে চূড়ান্ত দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ অভিযোগ মতে দুই নম্বৰী বালিকে আদি কৰি নিম্নমানৰ নিৰ্মাণ সামগ্ৰী ব্যৱহাৰৰ ফলতেই কণ কণ শিশুৰ বাবে নিৰ্মাণ কৰা গৃহটোৰ এতিয়া নিৰ্মাণ কৰি থাকোতেই খহি পৰিছে বুলি উল্লেখ কৰে। এমাহৰ পূৰ্বেও গৃহটোৰ ইটা পৰি এগৰাকী কণমানি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হ'বলগীয়া হৈছিল। ইফালে, কণ কণ শিশুৰ জীৱনৰ আদিপাঠ গ্ৰহণ কৰাৰ পূৰ্বৰ প্ৰথমটো শৈক্ষিক ওমলা ঘৰ সদৃশ অংগনৱাড়ী গৃহৰ নিৰ্মাণতো এনেদৰে ভয়ংকৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগৰ পিছতো সংশ্লিষ্ট বিভাগৰ চিডিপিঅ', অভিযন্তাই আজিকোপতি নিৰ্মীয়মাণ কেন্দ্ৰটোৰ পৰিদৰ্শন কৰিবলৈ যোৱা ৰাইজে দেখা নাই। ইফালে, উক্ত কেন্দ্ৰসমূহ নিৰ্মাণৰ ঠিকা ৭-১০% পৰ্যন্ত কমিছন আদায় দিহে কাম ঠিকাদাৰসকলে ল'ব পাৰিছিল বুলি ওলোৱা চৰ্চাক এনেবোৰ ঘটনাই এতিয়া কৰবাত নহয় কৰবাত কথাবোৰ সঁচা নেকি বুলিও ৰাইজে এতিয়া ভাবিবলৈ বাধ্য হৈছে। ইমানৰ পিছতো এতিয়া মাজুলীৰ জিলা আয়ুক্তই সংশ্লিষ্ট চিডিপিঅ' গৰাকীক জবাবদিহি কৰি ঠিকাদাৰগৰাকীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস হ'বনে সেয়াও পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# কলগাছিয়াত মাষ্টাৰ আই ডিসহ দুই আই পি এল জুৱাৰীক আটক

**ই-সংবাদ, কলগাছিয়া, ৯ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাগাঁৱৰপৰা দেওবাৰে সন্ধিয়া কলগাছিয়া আৰক্ষীয়ে এজন দুৰ্ধৰ্ষ আই পি এল জুৱাৰীক আটক কৰাৰ সমান্তৰালকৈ গুইলেজা গাঁৱৰপৰাও পাঁচটাকৈ মাষ্টাৰ আই ডিসহ এজন আই পি এল জুৱাৰীক আটক কৰে। জানিব পৰা মতে, গুইলেজা গাঁৱৰ আব্দুল বাৰেকৰ পুত্ৰ আশ্ৰাফুল ইছলামে পাঁচটাকৈ আই পি এল জুৱাৰ আই ডি খুলি অবৈধ জুৱা চলাই আছিল। ইফালে, বালাগাঁৱৰ আব্দুছ ছাত্তাৰৰ পুত্ৰ ৰবিদুল মণ্ডল ওৰফে হেফজুৰ ৰহমান নামৰ এক যুৱকে মোবাইল ফোনত মাষ্টাৰ আই ডিৰ জৰিয়তে আই পি এল জুৱাৰ ক'লা বেহা চলাই অঞ্চলটোৰপৰা লাখ লাখ টকা লুট কৰাৰ লগতে নৱপ্ৰজন্মক ধ্বংসৰ পথলৈ ঠেলি দিছে। ফলত কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত আৰক্ষীৰ এক সঁজাতি দলে গোপন অভিযান চলাই দেওবাৰে দুয়োগৰাকী জুৱাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যুৱক দুজনৰপৰা দুটা মোবাইল ফোন আৰু আই পি এল জুৱাৰ এটাকৈ মাষ্টাৰ আই ডি জব্দ কৰে। উল্লেখযোগ্য যে জুৱাৰী হেফজুৰ ৰহমানে শহিদুল ইছলাম নামৰ এজন আই পি এল জুৱাৰীৰ পৰা দহ হাজাৰ টকাৰে মাষ্টাৰ আই ডি ক্ৰয় কৰি আই পি এল জুৱাত লিপ্ত হৈছিল বুলি স্বয়ং হেফজুৰ ৰহমানে নিজেই মন্তব্য কৰিছিল যদিও জুৱাৰী শ্বহিদুল ইছলামক গ্ৰেপ্তাৰ কৰাৰ পৰিৱৰ্তে ৰহস্যজনকভাৱে জুৱাৰী দুজনক গ্ৰেপ্তাৰ কৰাৰ এদিন পিছতেই গোপনে মুকলি কৰি দিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। মন কৰিবলগীয়া কথা যে দেওবাৰে গ্ৰেপ্তাৰ কৰা আই পি এল জুৱাৰীৰ তদন্ত চলি থকা বুলি অজুহাত দেখুৱাই সাংবাদিকক ফটো ল'বলৈ দিয়া হোৱা নাছিল যদিও সোমবাৰে নিশাৰ ভাগত মন্তব্য ল'বলৈ দিছিল। কিন্তু ৰহস্যজনকভাৱে আই পি এল জুৱাৰী দুজনক গ্ৰেপ্তাৰ কৰাৰ এদিন পিছতেই গোপনে মুকলি আকাশৰ তললৈ এৰি দিয়া হৈছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। জে'ললৈ প্ৰেৰণ কৰাৰ সলনি আই পি এল জুৱাৰীক কি কাৰণত এৰি দিয়া হ'ল তাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, কলগাছিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তই জুৱাৰী দুজনক জামিন দিয়া হৈছে বুলি জানিবলৈ দিছে।

# গৌৰীপুৰত ৰাইজৰ দলৰ বিশাল গণ সমাৰেশত অখিল গগৈৰ তেজোদ্দীপ্ত ভাষণ

**ই-সংবাদ, পৰ্বতঝোৰা, ৯ এপ্ৰিলঃ** মঙলবাৰে আবেলি প্ৰায় ৪.১৫ বজাত নৱগঠিত গৌৰীপুৰ সমষ্টিৰ পিয়াজবাৰী হাইস্কুল খেলপথাৰত ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত আৰু গৌৰীপুৰ সমষ্টি সমিতিৰ সহযোগত বিশাল গণ সমাৰেশত ৰাইজৰ দলৰ সভাপতি অখিল গগৈ উপস্থিত থাকি শাসকীয় বিজেপি আৰু এ আই ইউ ডি এফ দলক ক্ষুৰধাৰ ভাষণেৰে থকা-সৰকা কৰে। পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া পূৰ্ণোদ্যমে চলি থকাৰ সময়তে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে ভাষণৰ আৰম্ভণিতে জয় আই অসম ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। নিজৰ ভাষণত অখিল গগৈয়ে মন্তব্য কৰি কয় যে তেওঁ ইয়ালৈ পঞ্চায়ত নিৰ্বাচনৰ বাবে অহা নাই। তেওঁ আহিছে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত যদি বিজেপি চৰকাৰক ব্ৰহ্মপুত্ৰত দলিয়াই দিব লাগে




তেন্তে মৌলানা বদৰুদ্দিন আজমলৰ এ আই ইউ ডি এফ দলকো ভোট দিব নোৱাৰিব। যদি মুছলমানে এ আই ইউ ডি এফ দলক ভোট দিয়ে তেন্তে উজনি অসমৰ হিন্দু সম্প্ৰদায়ৰ মানুহে বিজেপিক ভোট দিব বুলি অখিল গগৈয়ে গণ সমাৰেশখনত বিতৰ্কিত মন্তব্য কৰে। আজিৰ কাৰ্য্যসূচীত ৰাইজৰ দলৰ জিলা সভাপতি জামাল হক, সাধাৰণ সম্পাদক মনছুৰ ৰহমানকে আদি কৰি ৰাইজৰ দলৰ বিভিন্ন পৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থকাৰ লগতে সহস্ৰাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

# ক্ষমতাৰ অপব্যৱহাৰেৰে মাটি দখলৰ ষড়যন্ত্ৰ লাট মণ্ডলৰ

**ই-সংবাদ, গোলকগঞ্জ, ৯ এপ্ৰিলঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ত এসময়ত কৰ্মৰত এগৰাকী লাট মণ্ডলে নীতিবহিৰ্ভূতভাৱে এজন লোকৰ মাটিত আত্মীয়ৰ নাম অন্তৰ্ভুক্ত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, আব্দুল মোন্নাফ আহমেদ আগমনি চক্ৰ কাৰ্যালয়ত লাট মণ্ডল হিচাপে কৰ্মৰত থকা অৱস্থাত তেওঁৰ একাংশ সহযোগীৰে মিলি গ্ৰামাঞ্চলৰ অশিক্ষিত, হোজা লোকৰ মাটি গোপন বুজাবুজি কৰি আন কাৰোবাৰ নামত নামজাৰি কৰি ব্যাপক হাৰত ধন সংগ্ৰহ কৰিছিল। কাৰ্যালয়ত খবৰ লবলৈ গ'লে বিভিন্ন অজুহাতত ঘূৰাই পঠাইছিল। সেই সময়ত কাৰ্যালয়টোত আছিল তেওঁ উঠিৰজা-বহিৰজা। নিজকে চক্ৰ বিষয়াৰ সোঁহাত বুলি পৰিচয় দি চলাই গৈছিল দুৰ্নীতি-লুণ্ঠন। তেওঁ আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ৰপৰা বদলি হৈ দক্ষিণ শালমাৰা ৰাজহ চক্ৰ কাৰ্যালয়ত যোগদান কৰাৰ পাছতে পোহৰলৈ আহিছে এটাৰ পিছত এটাকৈ বৃহৎ কেলেংকাৰী। অলপতে ধুবুৰী জিলা আক্ৰাছু আৰু জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে আব্দুল মোন্নাফ আহমেদৰ মাটিৰ দালালী আৰু বেআইনী নামজাৰিৰ বিৰুদ্ধে ধুবুৰী জিলা আয়ুক্তক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰা মতে, শেৰনগৰ গাঁৱৰ কোৰবান আলী সৰকাৰৰ পুত্ৰ মিজানুৰ ৰহমানৰ নামত উত্তৰাধিকাৰী সূত্ৰে থকা ২৫ নং দাগৰ খ্যাৰাজী ম্যাদী আৰু ৯৩ নম্বৰ দাগৰ মাটিত অবৈধভাৱে নতুনকৈ খোদেজা বেওৱা, হামিদা বিবি, মফিদা বিবি আৰু মমতাজ বেগমৰ নাম অন্তৰ্ভুক্ত কৰি মাটিডোখৰ নিজে ভোগ দখলৰ ষড়যন্ত্ৰ চলাই আছে। একে অভিযোগত দীৰ্ঘদিনৰপৰা অঞ্চলটোত বসবাস কৰা কেইবাশ লোকেও জিলা আয়ুক্তক লিখিতভাৱে অৱগত কৰে। লাট মণ্ডল আব্দুল মোন্নাফৰ বিৰুদ্ধে এনে বহুকেইটা অভিযোগ বিৰুদ্ধে উঠিছে। বিশেষকৈ যিবোৰ পৰিয়ালত কাৰ্যালয়, আদালত আদিলৈ দৌৰাদৌৰী কৰিব পৰা লোকৰ অভাৱ তেনেবোৰ পৰিয়ালকে লক্ষ্য হিচাপে বাচি লয় মণ্ডলজনে। অতিশীঘ্ৰে এনে দুৰ্নীতিগ্ৰস্ত লাট মণ্ডলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে জনগোষ্ঠীয় সংগঠন দুটাৰ লগতে স্থানীয় ৰাইজে দাবী জনাইছে।

# গোলকগঞ্জত ঘোষ প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, গোলকগঞ্জ, ৮ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ শংকৰদেৱ বিদ্যা নিকেতনত যোৱা দেওবাৰৰপৰা সাতদিনীয়া ঘোষ প্ৰশিক্ষণ শিবিৰ চলি আছে। জানিব পৰা মতে, গোলকগঞ্জ সংকুলৰ ১২ খন বিদ্যালয়ৰ ৮৫ গৰাকী শিক্ষাৰ্থীয়ে শিবিৰত অংশগ্ৰহণ কৰিছে। শিবিৰত আনক, শংখ আৰু বংশী আদিৰ প্ৰশিক্ষণ দিয়া হয়। ঘোষ শাৰীৰিক বিষয়ৰ এটা অংশ। ইয়াৰ দ্বাৰা শিক্ষাৰ্থীৰ অনুশাসন নিয়মানুৱৰ্তিতা পালনৰ ক্ষেত্ৰত সহায়ক হয়। ইয়াৰ ওপৰত সংগতি ৰাখি যোৱা দেওবাৰ গোলকগঞ্জ শিশু বিদ্যা নিকেতনত ইয়াৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰেমসুখ সেটীয়াৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত পৰিচালনা সমিতিৰ উপ-সভাপতি অচিন্ত সৰকাৰ, সম্পাদক মহীতোষ কুমাৰ মণ্ডল, অৱসৰপ্ৰাপ্ত শিক্ষক নীৰেণ চন্দ্ৰ শীল, গোলকগঞ্জ সংকুলৰ সংকুল সংযোজক অনিমা ৰায় প্ৰধানী, বঙাইগাঁও বিভাগৰ শাৰীৰিক প্ৰমুখ বিবেক নাথ, দুধনৈ শিশু বিদ্যা নিকেতনৰ পৰা প্ৰশিক্ষক হিচাপে অহা অমৃত ৰাভা, ধুবুৰী নিকেতনৰ প্ৰধান আচাৰ্য দেবেন্দ্ৰ নাথ ৰায় আদি উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মুখ্যমন্ত্ৰী প্ৰয়াত কেশৱ চন্দ্ৰ গগৈৰ পত্নী শান্তি গগৈক মৃত্যু তিথিত স্মৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ৯ এপ্ৰিলঃ** ডিব্ৰুগড় তথা অসমৰে এটি অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন 'সেৱা'ৰ উদ্যোগত আজি সংগঠনটোৰ নালিয়াপুলস্থিত কাৰ্যালয়ত মুখ্যমন্ত্ৰী প্ৰয়াত কেশৱ চন্দ্ৰ গগৈৰ পত্নী, এগৰাকী আদৰ্শ মাতৃ প্ৰয়াত শান্তি গগৈক স্মৰণ কৰে ডিব্ৰুগড়বাসীয়ে। এই উপলক্ষে সংগঠনটোৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত সভাপতি নন্দিতা হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এক স্মৃতিচাৰণ অনুষ্ঠান। সংগঠনটোৰ সম্পাদক আলটাফ হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই প্ৰদান কৰা ভাষণত শান্তি গগৈৰ জীৱন-কৃতি আৰু তেওঁৰ সাহিত্যৰাজি সম্পৰ্কত এক চমু আলোকপাত কৰি তেওঁৰ দ্বাৰা সম্পাদিত গ্ৰন্থ পদ্মকুমাৰী গোহাঞিঃ ৰচনা সম্ভাৰ আৰু চাৰিখনকৈ মৌলিক গ্ৰন্থ ক্ৰমে যুগ্ম জীৱনৰ সোঁৱৰণী (আত্মজীৱনী), ইউৰোপৰ মিঠা সোঁৱৰণ (ভ্ৰমণ কাহিনী), চিন্তাৰ জিলিঙনি (নিবন্ধ সংকলন) একত্ৰ কৰি প্ৰকাশৰ বাবে পৰিয়ালবৰ্গ আৰু 'সেৱা'ক আহ্বান জনায়। ইয়াৰ লগতে তেওঁৰ ৮০ সংখ্যক জন্মদিন উপলক্ষে প্ৰকাশিত 'শান্তি গগৈঃ বৰ্ণময় জীৱনৰ সুবাস' নামৰ গ্ৰন্থখনিও পুনৰ প্ৰকাশৰ বাবে আহ্বান জনায়। তদুপৰি প্ৰয়াত গগৈৰ দ্বাৰা ২০০০ চনত প্ৰতিষ্ঠিত সংগঠন 'সেৱা'ক ৰাজ্যখনত পঁচিশ বছৰ একেৰাহে কাম কৰা স্বেচ্ছাসেৱী সংগঠনৰ নামত এক বঁটা প্ৰৱৰ্তন কৰি শান্তি গগৈৰ চিন্তা আৰু আদৰ্শক অধিক পৰিমাণে ৰাইজৰ মাজলৈ লৈ যোৱাৰ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ক্ৰমে ডিব্ৰুগড়ৰ বৰ্ষীয়ান সাংবাদিক ৰাজীৱ বৰগোহাঞি, বিশিষ্ট চিকিৎসক ডাঃ ৰমা প্ৰসাদ মেধি, কানৈ কলেজৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ ৰাজী কোঁৱৰেও তেওঁৰ স'তে লাভ কৰা সান্নিধ্যৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। আন এগৰাকী অতিথি তথা অধিবক্তা ড০ নজৰানা আহেমেদে প্ৰয়াত শান্তি গগৈৰ কাম-কাজ আৰু সান্নিধ্যৰ সম্পৰ্কত বিশ্লেষণ কৰি সকলোকে লিখিবৰ বাবে আহ্বান জনোৱাৰ লগতে এই লেখাসমূহ 'সেৱা'ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত গ্ৰন্থাকাৰে প্ৰকাশৰ ব্যৱস্থা গ্ৰহণৰ বাবেও আহ্বান জনায়। সংগঠনটোৰ আঁচনি বিষয়া দেৱযানী ডেকাই আঁত ধৰা অনুষ্ঠানত 'সেৱা'ৰ উপ-সভাপতি আৰফান হুছেইনে যদিওশান্তি গগৈৰ পাৰ্থিৱ শৰীৰ নাই তথাপি তেওঁৰ আত্মা হিচাপে 'সেৱা'ৰ মাজত আজিও বিদ্যমান বুলি ভাষণত উল্লেখ কৰে আৰু গ্ৰন্থ প্ৰকাশৰ বিষয়টো বিবেচনা কৰিব বুলিও সভাত অৱগত কৰে। সভাত 'সেৱা'ৰ সভাপতি তথা শান্তি গগৈৰ কন্যা নন্দিতা হাজৰিকাই কয় যে মোৰ মাতৃক সমগ্ৰ জীৱন জুৰি 'ৰ'ল মডেল' হিচাপে গ্ৰহণ কৰি আহিছো। কন্যা হিচাপে সদায় মাতৃক এগৰাকী 'সভা শুৱনি ব্যক্তি'ৰ আখ্যা দি মৃত্যুৰ চাৰি বছৰৰ পিছতো ডিব্ৰুগড়বাসীয়ে তেওঁক স্মৰণ কৰাৰ কথাই পৰিয়ালৰ সকলোকে আনন্দিত কৰি তুলিছে বুলিও ভাষণত উল্লেখ কৰে। সভাত বিশিষ্ট লেখিকা তথা সমাজকৰ্মী ড০ ভাৰতী দত্ত, ড০ শেৱালী বৰবৰা, সুদক্ষিণা দাস, বিশিষ্ট সাংবাদিক শৰৎ চন্দ্ৰ নেওগ, অৱসৰী কানৈ কমাৰ্চ কলেজৰ অধ্যক্ষ ড০ ৰঘুনাথ বৰবৰা, কল্পনা খাউন্দ, ডাঃ প্ৰবীণ ঠাকুৰ, কানৈ কলেজৰ অধ্যাপক ড° পাৰ্থ গাংগুলি, মধুমিতা পুৰকায়স্থকে ধৰি ডিব্ৰুগড় মহানগৰৰ শতাধিক গণ্য-মান্য ব্যক্তিৰ লগতে 'সেৱা'ৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# ঢোলৰ গুমগুমনি আৰু নাচনীৰ গিৰিপনীত মুখৰিত ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰেক্ষাগৃহ

**ই-সংবাদ, ডিব্ৰুগড়, ৯ এপ্ৰিলঃ** বিহুৰ উখল-মাখল পৰিৱেশৰ লগতে ঢোলৰ গুমগুমনি আৰু নাচনীৰ গিৰিপনীত মুখৰিত হৈ পৰে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰেক্ষাগৃহ। উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত বিহুৰ আখৰাৰ সফল সমাপ্তি ঘটে। ডিব্ৰুগড় সাহিত্য সভাৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ছদিনীয়াকৈ আয়োজন কৰা এই বিহু আখৰাত ডিব্ৰুগড় নগৰৰ লগতে উপকণ্ঠ অঞ্চলৰ ডেৰ শতাধিক নাচনীয়ে অংশগ্ৰহণ কৰে। নৃত্যাংগন কলা কেন্দ্ৰ আৰু মূৰ্চনা সংগীত বিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই আখৰাত বিশিষ্ট লোক বাদ্যৰ সাধক, বৰবিহুৱা জিতেন দাস, বৰবিহুৱতী তথা নৃত্য প্ৰশিক্ষক ৰুবী গগৈ সন্দিকৈ, বিশিষ্ট অনাতাঁৰ শিল্পী ভুৱন গগৈ, বিহুৱা বিতোপন দাস আৰু হিৰকজ্যোতি শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিহুৱতী, বৰ বিহুৱতী, মৌ-কুঁৱৰী, বিহু নৃত্য সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। বিশেষকৈ বিহুৰ ঐতিহ্য, পৰম্পৰা, ঐক্য, সংহতি তথা তাৎপৰ্য লগতে  অসমীয়া সংস্কৃতিক প্ৰকৃত তথা শুদ্ধ ৰূপত উপস্থাপন কৰাৰ বাবে নৱ প্ৰজন্মৰ মাজত প্ৰতি বছৰে সাংবাদিক সংগঠনটোৱে বিহুৰ প্ৰাকক্ষণত এনেদৰে আখৰা অনুষ্ঠিত কৰি আহিছে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা সামৰণি অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন, বিশিষ্ট সাহিত্যিক ড০ শশীকান্ত শইকীয়া, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইকে প্ৰমুখ্যে কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামৰণি অনুষ্ঠানত নতুনকৈ ঘোষণা কৰা ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ আৰু আৰু উপ-মেয়ৰ হিচাপে দায়িত্ব লাভ কৰা ডাঃ সৈকত পাত্ৰ আৰু উজ্জ্বল ফুকনক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তৰফৰ পৰা সন্মান জনোৱা হয়। আনহাতে, শেহতীয়াকৈ অসম সাহিত্য সভাৰ আন্তঃ ৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়কৰ দৰে গুৰু দায়িত্ব লাভ কৰা ড০ শশীকান্ত শইকীয়াক ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, প্ৰশিক্ষক হিচাপে থকা গুৰু জিতেন দাস, ৰুবী গগৈ সন্দিকৈ, ভুৱন গগৈ, বিতোপন দাস আৰু হিৰকজ্যোতি শইকীয়াক উদ্যোক্তাসকলৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিহু সুৰক্ষা সমিতিৰ বিষয়ববীয়া তথা এগৰাকী বিহু বিশেষজ্ঞ তথা বিশিষ্ট চিকিৎসক চিত্ৰজ্যোতি চেতিয়া, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰতন হাজৰিকা, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক তথা জ্যেষ্ঠ পুত্ৰ ৰিপুঞ্জয় দাস, বিহুৱা মানস বুঢ়াগোহাঁই, ৰং-বসন্ত বিহু দলৰ নামতি কন সোণোৱাল, পেঁপোৱা যুগল দাস, বিকাশ দত্ত, বিশিষ্ট অনাতাঁৰ শিল্পী অনুপ শৰ্মা, ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ লিমিটেডৰ জন সম্পৰ্কৰক্ষী বিষয়া জয়ন্ত বৰুৱা, নৰৈ দৰ্শকৰ বৰ বিহুৱতী মাধুৰী গগৈ বৰুৱা প্ৰমুখ্যে কৰি উপস্থিত থকা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক উদ্যোক্তাসকলে আদৰণি জনায়। বিশিষ্ট বিহু বিশেষজ্ঞ ডাঃ চিত্ৰজ্যোতি চেতিয়াই তেওঁৰ ভাষণ প্ৰসংগত এসময়ৰ গছতল তথা পথাৰৰ বিহু ক্ৰমান্বয়ে মঞ্চলৈ আহি বিবৰ্তন হোৱা আৰু মঞ্চত নাচনীসকলে প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ বিভিন্ন নীতি-নিয়ম সন্দৰ্ভত উপস্থিতসকলক উদ্দেশ্য কৰি চমু ভাষণ প্ৰদান কৰে। আনহাতে, বিশিষ্ট সাহিত্যিক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সংস্কৃতিয়ে এটা জাতিৰ পৰিচায়ক বুলি উল্লেখ কৰি সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় সাহিত্য সভাই ৰঙালী বিহুৰ পূৰ্বে এনেধৰণৰ বিহুৰ আখৰা জৰিয়তে উঠি অহা নৱ প্ৰজন্মক অসমীয়া সংস্কৃতিক প্ৰকৃত ৰূপত উপস্থাপন কৰাৰ বাবে গ্ৰহণ কৰা এই প্ৰচেষ্টাৰ শলাগ লয়।

# ৭৬ বছৰ বয়সতো ঢোলত ৰগৰ তোলে মাকুমৰ ৰবীন বৰুৱাই

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৯ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ উদ্যোগ নগৰী মাকুম জ্যোতি নগৰৰ ৭৬ বছৰীয়া চিৰ তৰুণ ঢুলীয়া ৰবীন বৰুৱাই আজিও ঢোলত ৰগৰ তোলে। আজিও 'দেউতাৰ পদূলিত গোন্ধাইছে মালতী....... বিহু মাৰিবলৈ যাওঁ ঐ গোবিন্দাই ৰাম' বুলি কান্ধত ঢোল লৈ হুঁচৰিৰ আগে আগে যোৱা ৭৬ বছৰীয়া বিহুৱাজনেই হ'ল মাকুমৰ ৰবীন বৰুৱা। তেওঁৰ প্ৰকৃত নাম আছিল ৰবীন কুমাৰ মজিন্দাৰ বৰুৱা। শিৱসাগৰৰ বেতবাৰী কাকতি গাঁৱৰ মজিন্দাৰ বৰুৱা পৰিয়ালৰ লোক হৈছে ৰবীন বৰুৱা। ১৯৪৯ চনৰ ২৯ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা বৰুৱাই ৬ বছৰ বয়সতেই পিতৃ-মাতৃৰ লগত মাকুমলৈ গুচি আহিছিল। পিতৃ যোগেন্দ্ৰ নাথ মজিন্দাৰ বৰুৱা আৰু মাতৃ মাখনি লতা ফুকন মজিন্দাৰ বৰুৱাৰ লগত দুই ভাতৃ জিতেন বৰুৱা আৰু প্ৰবীণ বৰুৱাৰ লগত ৬ গৰাকী ভগ্নীসহ বৃহৎ পৰিয়ালটি মাকুমলৈ গুচি আহিছিল। ভাৰতৰ স্বাধীনতা যুঁজত অৱদান আগবঢ়াই অহা এই পৰিয়ালটি মাকুমৰ জ্যোতি নগৰত নিগাজিকৈ থাকিবলৈ ল'লে। মাকুমৰ চন্দ্ৰকলা মইনা পাৰিজাত আৰু চন্দ্ৰকলা শিশু বিকাশ কেন্দ্ৰৰ যৌথ উদ্যোগত হুঁচৰি গোৱা আৰম্ভ হৈছিল। তেতিয়াৰ ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সভানেত্ৰী আছিল মাক মাখনি লতাফুকন মজিন্দাৰ বৰুৱা আৰু সম্পাদক আছিল হিতেশ বৰগোহাঞি। এই মইনা পাৰিজাতৰ সাংস্কৃতিক কাৰ্যসূচীৰ লগতে বিহুৰ এক অভিনৱত্বই তেতিয়াৰ ৯ বছৰীয়া ৰবীন বৰুৱাৰ অন্তৰত দ'কৈ শিপাইছিল। ঢোলটোৰ প্ৰতি আছিল তেওঁৰ অগাধ ভক্তি। গাঁৱৰ বিয়াবোৰত বিহু মৰা দলৰ কাৰুকাৰ্যত মুগ্ধ হৈছিল তেওঁৰ শৈশৱ। ঢোলৰ ৰগৰ, ওজাসকলৰ ঢোলৰ কাৰুকাৰ্যত বৰকৈ মন লগা ৰবীন বৰুৱা এসময়ত মাকুমৰ হৈছিল সফল ঢুলীয়া। মাকুমৰ পুৰণি হুঁচৰি দলটোৰ মানুহবোৰ লাহে লাহে নোহোৱা হোৱাত নতুন ডেকা চামে ন' ৰূপেৰে গঢ়িবলৈ ল'লে। ১৯৭৯ ত শিক্ষয়িত্ৰী ৰেণু দুৱৰাৰ লগত বিবাহপাশত আৱদ্ধ হোৱা ৰবীন বৰুৱাই এখনি সুন্দৰ সংসাৰৰ দায়িত্বও পালন কৰি গৈছিল। তেওঁৰ ভতিজাক মাধুৰ্য বৰুৱাএগৰাকী নিবন্ধকাৰ। পৰৱৰ্তী সময়ত বিভিন্ন ঠাইৰ পৰা আহি হাবি ভাঙি মাকুমত বসবাস কৰিবলৈ লোৱা মানুহখিনিৰ মাজত গঢ়ি উঠা সমন্বয়ে এটি নতুন দিগন্তৰ সূচনা কৰিলে। ১১ টি ঢোল লৈ ৰবীন বৰুৱাই মাকুমৰ হুঁচৰিক এক নতুন মাত্ৰা প্ৰদান কৰিলে। তেতিয়াৰ হুঁচৰিত প্ৰতিঘৰ মানুহৰ সকলোৰেই ওলাই আহিছিল। বিশেষকৈ ডেকা-গাভৰুসকলে চাইকেল লৈয়েই মাকুমৰ কাষৰীয়া বাগিছা অঞ্চলত হুঁচৰি গাবলৈ যোৱা স্মৃতিয়ে ৰবীন বৰুৱাৰ চকু আজি সেমেকাই তোলে। এই হুঁচৰিৰে সেই সময়ত একতাৰ এনাজৰীডাল সুদৃঢ় কৰি তুলিছিল বুলি আজিৰ বৰ্ষীয়ান বিহুৱা ৰবীন বৰুৱাই মত ব্যক্ত কৰিছে। তেওঁলোকে সেই সময়ত হুঁচৰি গাই পোৱা ধনেৰে নাচনী কেইজনীক সাজ-পোচাক কিনি দিছিল আৰু বাকী ৰৈ যোৱা টকা কেইটাৰে সামুহিক ভোজৰ আয়োজন কৰিছিল।

## বৰপেটাৰোডত পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি প্ৰশান্তি টুইৰিষ্ট লজ'ত কংগ্ৰেছৰ গোপন বৈঠক



**ই-সংবাদ, বৰপেটাৰোড, ৯ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছতেই সমগ্ৰ অসমত নিৰ্বাচনী গৰম বতাহ বলা পৰিলক্ষিত হৈছে। শাসক দল, বিৰোধী দলৰ মাজত দেখা গৈছে টিকট প্ৰত্যাশী ভিৰ। তেনে পৰিস্থিতিত আজি বৰপেটাৰোডৰ প্ৰশান্তি টুইৰিষ্ট লজ'ত অনুষ্ঠিত হয় বৰপেটা জিলা কংগ্ৰেছৰ এখন গুৰুত্বপূৰ্ণ বৈঠক। আজি অনুষ্ঠিত হোৱা এই গোপন বৈঠকত উপস্থিত থাকে সাংসদ ৰকিবুল হুছেইন, বিধায়ক জাকিৰ হুছেইন ছিকদাৰ, প্ৰাক্তন সাংসদ আব্দুল খালেকৰ লগতে বহুকেইজন আগশাৰীৰ নেতা। আনহাতে, গোপন বৈঠক অনুষ্ঠিত হোৱা কক্ষৰ বাহিৰত টিকট প্ৰত্যাশী ভিৰ পৰিলক্ষিত হয়। কোনে লাভ কৰিব টিকট- তাকলৈ চলিছে চৰ্চা। কাৰ কপালত কি আছে কোনেও ক'ব নোৱাৰে, মাত্ৰ সময়ৰ অপেক্ষাত ৰৈ আছে নেতা-নেত্ৰীসকল। সকলো আশাবাদী পঞ্চায়তৰ টিকটৰ বাবে। নিশা হয়তো ঘোষণা হ'ব পাৰে প্ৰাৰ্থীৰ নাম, তাক লৈ চলিছে জল্পনা কল্পনা। আনহাতে, সাংসদ ৰকিবুল হুছেইন কয় যে কংগ্ৰেছৰ হৈ কাম কৰাসকলকহে টিকট দিয়া হ'ব। লগতে যুৱ চামক অধিক গুৰুত্ব দিয়া হ'ব, মহিলাসকলক ৫০%ত কৈ অধিক টিকট দিয়া হ'ব বুলি সংসদ ৰকিবুল হুছেইনে সংবাদ মাধ্যমক জনায়।

## চাবুৱাৰ দংগৰচুকত আছুৰ বিহু নাচৰ কৰ্মশালা সামৰণি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ এপ্ৰিলঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰত বিহুৰ বিভিন্ন কৰ্মশালা অনুষ্ঠিত হৈ থকাৰ সময়তে চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতি বছৰে আয়োজন কৰি অহা বিহু নাচৰ কৰ্মশালাখনিৰ কালি সামৰণি পৰে। মালিগাঁও, লতাশিল খিতাপ অৰ্জন কৰা বিহু সম্ৰাগ্ৰী মৌচুমী টায়েং সোণোৱালৰ তত্বাৱধানত ২৭ মাৰ্চৰ পৰা দংগৰচুক গাঁৱৰ খেলপথাৰত দংগৰচুক পূৰ্বোদয় সংঘৰ সহযোগত ১৩ দিনীয়া কৰ্মশালাখনি আয়োজন কৰাত গাঁওখনৰ লগতে সমীপৱৰ্তী কেইবাখনো গাঁৱৰ কিশোৰীসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাখনিত সহযোগিতা আগবঢ়াইছিল টিনা গগৈ দিহিঙীয়াই। মঙলবাৰে আছুৰে আয়োজন কৰা সামৰণি কৰ্মশালাত বিহু নাচ শিকা কিশোৰীসকলে বিহুনাচ প্ৰদৰ্শন কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠানটোত চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰণৱ দত্তই সভাপতিত্ব কৰা মুকলি সভাত উপস্থিত থাকে ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, উপ-সভাপতি মৃদুপৱন গগৈ, সাধাৰণ সম্পাদক বিতোপন গগৈ, শিক্ষা সম্পাদক আৰবাজ আহমেদ, সাংগঠনিক সম্পাদক টুলবুল গগৈ, ক্ৰীড়া সম্পাদক ৰাজা গগৈ, বিহুনাচ কৰ্মশালা উদ্‌যাপন সমিতিৰ সভাপতি বুলন দিহিঙীয়া। আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পূৰ্ণজ্যোতি দত্তই আঁত ধৰা সভাখনিতে দুয়োগৰাকী প্ৰশিক্ষকক একোখনি সম্বৰ্ধনা পত্ৰসহ, গামোচা, জাপি আদিৰে সম্বৰ্ধান জনোৱা হয়। চাবুৱা অঞ্চলৰ বিশিষ্ট ব্যক্তি প্ৰশান্ত নেওগ, জগজীৱন গগৈ, মৃন্ময় গোহাঁই, গাঁওপ্ৰধান আনন্দি দত্ত, শিক্ষক ৰমেশ গগৈ আদি উপস্থিত থাকে।

## নাওজানত উত্তপ্ত পৰিস্থিতি, ড্ৰাগছ আসক্তৰ বিৰুদ্ধে ৰাইজৰ অভিযান

**ই-সংবাদ, সৰুপথাৰ, ৯ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজানত আজি একাংশ ড্ৰাগছ বেপাৰীৰ কাম-কাজত অতিষ্ঠ হৈ ওলাই আহিল শতাধিক লোক। স্থানীয় লোকে আৰক্ষীলৈ বাট নাচাই খেদি খেদি পাঁচজনকৈ ড্ৰাগছ আসক্ত আৰু দুজন ড্ৰাগছ ব্যৱসায়ীক কৰায়ত্ত কৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে, অঞ্চলটোত ড্ৰাগছ আসক্ত লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পোৱাত ৰাইজ অতিষ্ঠ হৈ আৰক্ষীলৈ বাট নাচাই আজিৰ অভিযানটো চলায়। ৰাইজৰ অভিযানত আটক হোৱা ড্ৰাগছ আসক্ত যুৱকসকল ডিম্পল শইকীয়া, বিনন্দ চুতীয়া, আকাশ, লাচিত হাজৰিকা আৰু পৰীক্ষিত গগৈ বুলি প্ৰকাশ। ইপিনে, উক্ত নিষিদ্ধ দ্ৰব্য বিধৰ ব্যৱসায়ৰ লগত জড়িত থকাৰ সন্দেহত ৰাইজে অঞ্চলটোত খেদি খেদি ছালিম হুছেইন আৰু কল্কো নাথক ঘৰৰ পৰাই আটক কৰি আৰক্ষীক গতাই দিয়ে। প্ৰকাশ যে ধৃত ছালিমৰ ঘৰৰ পৰা তিনি পেকেট সন্দেহজনক টেবলেট উদ্ধাৰ হৈছে।




তিনিচুকীয়াত টাই আহোমৰ 'ৰেল অৱৰোধ কাৰ্যসূচী ৰূপায়ন, ফটোঃ ই-সংবাদ, তিনিচুকীয়া

# চাবুৱাত মনোনয়ন পত্ৰ দাখিলৰ বাবে প্ৰাৰ্থীৰ ভিৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ চৌহদত

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ সাজু পঞ্চায়ত ৱাৰ্ডৰ প্ৰাৰ্থী, জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীসকল। পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৱাৰ্ড সদস্যসকলে আজি দাখিল কৰে মনোনয়ন পত্ৰ। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ পানীতোলা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে একাংশ প্ৰাৰ্থীয়ে। চাবুৱা-লাহোৱাল সমষ্টিৰ ডিকম, নাদুৱা, হাতীআলি, বালিজান, পুলুঙা, দিনজয়, ৰংচঙী, বিন্ধাকটা, জেৰাই গাঁও পঞ্চায়তকে ধৰি শতাধিক প্ৰাৰ্থীয়ে দাখিল কৰে মনোনয়ন পত্ৰ। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে সকলো প্ৰাৰ্থীয়ে প্ৰস্তুতি সম্পূৰ্ণ তুংগত উঠাৰ কথা উল্লেখ কৰে। এইবাৰ যিহেতু পোন প্ৰথমবাৰৰ বাবে দলীয় প্ৰতীক চিহ্ন ব্যৱহাৰ নোহোৱাকৈ ৱাৰ্ড সদস্যসকল নিৰ্বাচিত হ'ব। যাৰ বাবে বিজেপিৰ প্ৰাৰ্থীসকলে পাতৰ কলি চিহ্ন লোৱাৰ কথা উল্লেখ কৰে প্ৰাৰ্থীসকলে। ৱাৰ্ড সদস্যসকলৰ পৰাই এইবাৰ গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হ'ব, যাৰ বাবে মনোনয়নপত্ৰ দাখিল কৰা লোকৰ সংখ্যা বৃদ্ধি পাব। ইফালে, লাহোৱাল খণ্ড উন্নয়ন আৰু পানীতোলা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়তো মনোনয়ন পত্ৰ দাখিল কৰে একাংশ প্ৰাৰ্থীয়ে। পানীতোলা উন্নয়ন খণ্ডল কাৰ্যালয়ত বাতৰি প্ৰস্তুত কৰাৰ সময়লৈকে প্ৰায় ৩০ খন মনোনয়ন পত্ৰ দাখিল কৰে ৱাৰ্ড সদস্য প্ৰাৰ্থীসকলে। চাবুৱা -লাহোৱালৰ চাৰিটা জিলা পৰিষদৰ আসন দুটাকৈ মিত্ৰ দল অগপ আৰু বিজেপিৰ মাজত বুজাবুজি হোৱাত ৰাজ্যিক বিজেপিয়ে তালিকা প্ৰকাশ কৰাৰ পিছত কাইলৈ ডিকম জিলা পৰিষদৰ বাবে মনোনীত প্ৰাৰ্থী ব্ৰজেন গগৈয়ে মনোনয়ন পত্ৰ দাখিল কৰিব। ইফালে, জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্যৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিৰ মাজত আসনকলৈ বুজাবুজি হোৱাত আজি দুয়োটা দলৰ প্ৰাৰ্থীয়ে একেলগে মনোনয়ন দাখিল কৰে।

# কামৰূপ জিলাত মাছ মৰাৰ ক্ষেত্ৰত বি এন এছ এছৰ অধীনত বিশেষ নিষেধাজ্ঞা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৮ এপ্ৰিলঃ** কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই যোৱা ১ এপ্ৰিলত এক নিৰ্দেশ যোগে মাছৰ প্ৰাকৃতিক প্ৰজনন আৰু বংশ বৃদ্ধি নিশ্চিত কৰাৰ উদ্দেশ্যেৰে কামৰূপ জিলাৰ সকলো মীন ক্ষেত্ৰ আৰু প্ৰাকৃতিক জলাশয়ত বি এন এছ এছৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা সমগ্ৰ জিলাতে অহা ১৫ জুলাই পৰ্যন্ত প্ৰযোজ্য হৈ থাকিব। নিষেধাজ্ঞা অনুসৰি ১ এপ্ৰিলৰ পৰা ১৫ জুলাই লৈ মাছৰ প্ৰজনন ঋতুৰ সময়ছোৱাত অসম মীন বিধি ১৯৫৩ৰ ২৩(১) ৰ অধীনত ঘোষিত মীন ক্ষেত্ৰত ৭ ছেঃ মিঃ বাৰ/১৪ ছেঃ মিঃ তকৈ কম পাঁহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা অন্য কোনো জাল ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। তদুপৰি অসম মীন বিধি ১৯৫৩ৰ ২৩ (২) অনুসৰি সমগ্ৰ বছৰ জুৰি মীন ক্ষেত্ৰ সমূহত ১ ছেঃ মিঃ বাৰ/২ ছেঃ মিঃ তকৈ কম পাঁহৰ জালেৰে মাছ মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি ২৩ ক (১) বিধিৰ অধীনত ১ এপ্ৰিলৰ পৰা ৩১ জুলাইৰ সময়ছোৱাত কেতবোৰ বিশেষ প্ৰজাতিৰ পোনা দিব পৰা মাছ ধৰা, ক (২) বিধিৰ অধীনত ১ আগষ্টৰ পৰা ৩১ অক্টোবৰৰ সময়ছোৱাত খোৱা বা আন যিকোনো উদ্দেশ্যেৰে কেতবোৰ বিশেষ প্ৰজাতিৰ মাছৰ পোৱালি বিক্ৰী কৰা, মাছ ধৰা আৰু মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনএছএছ গোটৰ সাতদিনীয় বিশেষ কেম্প সম্পন্ন

**ই-সংবাদ, মোৰাঝাৰ, ৯ এপ্ৰিলঃ** হোজাই জিলাৰ ঐতিহ্যমণ্ডিত পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনএছএছ গোটৰ সাতদিনীয় বিশেষ কেম্পৰ আজি সামৰণি পৰে। যোৱা ৩ এপ্ৰিলত পুৱা বিদ্যালয়খনৰ এনএছএছ গোটৰ তোলনীয়া গাঁও উত্তৰ ডিমৰুপাৰত সমূহীয়া চাফাই অভিযান আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰে আৰম্ভ হোৱা সাতদিনীয় বিশেষ কেম্পত বিদ্যালয়খনৰ এশ গৰাকী এনএছএছৰ স্বেচ্ছা সেৱকে গাঁওখনত বিভিন্ন জনহিতকৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ ভিতৰত বিশেষকৈ ড্ৰাগছ আৰু বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা, গণ স্বাক্ষৰতা অভিযান, পৰম্পৰাগত খেল-ধেমালি, বিনামূলীয়া চিকিৎসা শিবিৰ, পথ সজাগতা আৰু পথ দুৰ্ঘটনাৰ ওপৰত বাটৰ নাট আদি বিভিন্ন সমাজ সচেতনতামূলক আৰু জনহিতকৰ কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা ১০.০০ বজাৰ পৰা আবেলি ২.০০ বজালৈ অতি আড়ম্বৰপূৰ্ণ কাৰ্যসূচীৰে উক্ত সাতদিনীয় বিশেষ কেম্পৰ সামৰণি পৰে। সামৰণি অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞা, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি খলিলুৰ ৰহমান মজুমদাৰ, বিশিষ্ট সমাজকৰ্মী আৰিফ উদ্দিন, পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জেষ্ঠ শিক্ষক বদৰুজ্জামান, এন এছ এছ প্ৰগ্ৰেম বিষয়া চিৰাজুল ইছলাম, বিদ্যাল.য়ৰ শিক্ষা বিভাগৰ শিক্ষয়িত্ৰী ড০ সংগীতা বৰা, ৰাজনীতি বিজ্ঞানৰ শিক্ষক আফজালুৰ ৰহমান চৌধুৰী, প্ৰাক্তন ছাত্ৰ তথা জেষ্ঠ সাংবাদিক কফিল উদ্দিণ বৰভূঞা আৰু হাৰুন ৰশ্বিদ, উত্তৰ ডিমৰুপাৰ এম ই স্কুলৰ প্ৰধান শিক্ষক নাজিম উদ্দিন, সহঃ শিক্ষক আব্দুল হক বৰভূঞা, ফৰিজ উদ্দীন বৰলস্কৰ সহ বহু কেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে আৰু বিদ্যায়লয়খনৰ সাতদিনীয়া এনএছএছ ৰ কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰে। সামৰণি অনুষ্ঠানত বিভিন্ন গীত-মাতৰ আয়োজন কৰা হয়। বিশেষকৈ পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু উত্তৰ ডিমৰুপাৰ এম ই স্কুলৰ ছাত্ৰ ছাত্ৰীয়ে বিহু গীত, বিহু নৃত্য, হাজং নৃত্য, জিকিৰ আৰু জাৰি আদি বিভিন্ন সাংস্কৃতিক ক্ৰিয়া-কলাপ প্ৰদৰ্শন কৰে। বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই এন এছ এছ ৰ সতদিনীয়া বিশেষ কেম্প সম্পূৰ্ণ সফল কৰি তোলাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাই কাৰ্যসূচীৰ সামৰণি ঘোষণা কৰে।

# তাঁতিপাৰাত শিক্ষাগুৰু অক্ষয় বৰ্মনক বিদায় সম্বৰ্ধনা




**ই-সংবাদ, নলবাৰী, ৯ এপ্ৰিলঃ** আজি ইয়াৰ ওচৰৰ তাঁতিপাৰাত অঞ্চলটোৰ পূব পানীগাঁও উত্তৰ পকোৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষক, সমাজ সংগঠক অক্ষয় বৰ্মনক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। তাঁতিপাৰা প্ৰাথমিক বিদ্যালয়ত সংশ্লিষ্ট শিক্ষক গোটৰ উদ্যোগত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ৰমণী মোহন ডেকা। সভাত নিমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায় ক্ৰমে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সৰ্বভাৰতীয় সদস্য তথা নলবাৰী জিলাৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ মুখ্য সম্পাদক মোহন হালৈ, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য নাজিমুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক মথুৰ ডেকা, চিত্ৰাৰচিচি নগেন দাস আৰু 'প্ৰতিবেদক লাইভ'ৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই। উপস্থিত শুভাকাংক্ষীসহিতে ফৰমুদ আলী, কনক বৈশ্য, ৰঞ্জিত ভুঞা প্ৰমুখ্যে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীয়েও শিক্ষক বৰ্মনৰ গুণ-গৰিমাৰ উল্লেখেৰে বক্তব্য প্ৰদান কৰে।

# মৰিগাঁৱত দুই কুখ্যাত চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

**ই-সংবাদ, মৰিগাঁও, ৯ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ মায়ং আৰক্ষী থানাৰ অন্তৰ্গত গৰুমৰা দলনিৰ পৰা মৰিগাঁও আৰক্ষীয়ে যোৱা নিশা দুটা কুখ্যাত চাইবাৰ অপৰাধীক আটক কৰে। ধৃত চাইবাৰ অপৰাধী দুটা ক্ৰমে গৰুমৰা দলনি গাঁৱৰ চাৰিবুদ জামান (২৬) আৰু ঝাৰখণ্ডৰ চাহিবগঞ্জ মুফাচিল আৰক্ষী থানাৰ অন্তৰ্গত ছোটি কোদাৰ জান্না গাঁৱৰ ৰমিজ ৰেজা (২৪) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও আৰক্ষীয়ে যোৱা নিশা এক গোপন তথ্যৰ ভিত্তিত গৰুমৰা দলনি গাঁৱত এক অভিযান চলায়। অভিযান কালত চাৰিবুদ জামানৰ ঘৰৰ পৰি দুই কুখ্যাত চাইবাৰ অপৰাধীক আটক কৰাৰ লগতে এটা এপল কোম্পানীৰ লেপটপ এটা লেনোভো কোম্পানীৰ লেপটপ, এটা চিপিইউ, দুটা আইফোন ম'বাইল, এটা স্কেনাৰ মেচিন, এটা প্ৰিন্টাৰ মেচিন, ষ্টেট বেংক, পাঞ্জাব নেচনেল বেংক, এইচডিএফচি, আইচিআইচিআই, বেংক অফ ইণ্ডিয়া আদি বিত্তীয় প্ৰতিষ্ঠানৰ বহুসংখ্যক পাচবুক, চেকবুক, এটিএম কাৰ্ড, আয়ুষ্মান কাৰ্ড, এটা আই পেড আৰু নগদ ২,২২,১০০ টকা জব্দ কৰে। চাইবাৰ অপৰাধী দুটাক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰি সোধা-পোছা আৰু তদন্ত অব্যাহত ৰাখিছে।

# অসম সাহিত্য সভাৰ হিতৈষী সভ্য শিক্ষক অনুপ্ৰভা দেৱীলৈ স্বৰ্ণজ্যোতি সাহিত্য প্ৰেৰণা বঁটা

**ই-সংবাদ, মাজুলী, ৯ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত মাজুলীৰ প্ৰথমটো সুহৃদ পৰিয়ালৰ অন্যতম হিতৈষী সভ্য, মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্যা তথা শিক্ষক অনুপ্ৰভা দেৱীলৈ অসম সাহিত্য সভাৰ প্ৰথমগৰাকী মহিলা সভাপতি নলিনীবালা দেৱীৰ স্মৃতিত স্বৰ্ণজ্যোতি সাহিত্য প্ৰেৰণা বঁটা প্ৰদান কৰা হৈছে। কালি গুৱাহাটী প্ৰেছ ক্লাবত স্বস্তিকা প্ৰিয়ম প্ৰকাশনৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গামোচা, জাপি, মানপত্ৰ, স্মাৰক আৰু স্বদেশ পটভূমি শীৰ্ষক গ্ৰন্থৰে সমাজ-সাহিত্য-শিক্ষাৰ সেৱাত ব্ৰতী অনুপ্ৰভা দেৱীয়ে উক্ত বঁটা গ্ৰহণ কৰে। স্বদেশ পটভূমিৰ মুখ্য সম্পাদক তথা আমাৰ অসমৰ জ্যেষ্ঠ সাংবাদিক ৰবীন ভুঞাই আদৰণী ভাষণ আগবঢ়োৱা আৰু বিশিষ্ট লেখিকা সুদক্ষিণা ভুঞাই আঁত ধৰা অনুষ্ঠানত বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দীনেশ বৈশ্য, বিশিষ্ট কবি নীলিম কুমাৰ, শিক্ষা বিভাগৰ প্ৰাক্তন শীৰ্ষ বিষয়া ড০ বীৰেন চন্দ্ৰ বৰা প্ৰমুখ্যে বহুসংখ্যক বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বঁটা গ্ৰহণ কৰি অনুপ্ৰভা দেৱীয়ে গৌৰৱ অনুভৱ কৰাৰ লগতে অনাগত দিনবোৰত দুগুণ উৎসাহেৰে সমাজ-কৰ্মজীৱনত উৎসৰ্গিত হ'বলৈ আশা ব্যক্ত কৰে। ইফালে, এই বতৰা পাই উত্তৰ কমলাবাৰী শাখা সাহিত্য সভা, পুৰণিবাৰী সমন্বয় শাখা সাহিত্য সভা, বৰিটিকা প্ৰাথমিক বিদ্যালয় প্ৰমুখ্যে বহু সংখ্যক ব্যক্তি-সংগঠনে বঁটা প্ৰাপক দেৱীক শুভেচ্ছা-অভিনন্দন জ্ঞাপন কৰে।

# অভয়াপুৰী-সৃজনগ্ৰামত ৰঙালী বিহু-দহেলাপাৰাত বিষুৱা উৎসৱৰ প্ৰস্তুতি

**ই-সংবাদ, অভয়াপুৰী, ৮ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী ৰঙালী বিহু সন্মিলনীয়ে ১৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ ৬৮ সংখ্যক ৰঙালী বিহু উদযাপন কৰিব। ৰফিকুল ইছলামক সভাপতি, গিৰিধৰ দেৱশৰ্মাক কাৰ্যকৰী সভাপতি আৰু গৌতম অধিকাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা উদযাপন সমিতিয়ে অভয়াপুৰী গান্ধী ময়দানত ১৪ এপ্ৰিল (৩১ চ'ত)ৰ পুৱা সভাপতিয়ে পতাকা উত্তোলন, বিশিষ্ট সমাজকৰ্মী মানিক কলিতাই স্মৃতি তৰ্পণ, প্ৰাক্তন বিধায়ক ভুপেন ৰায়ে ছহিদ তৰ্পণ কৰাৰ পাছতে জ্যেষ্ঠ নাগৰিকৰ দ্বাৰা গছপুলি ৰোপণ, সম্বৰ্ধনা আৰু অভ্যৰ্থনা অনুষ্ঠানৰ লগতে ৰাজ্যিক খেলুৱৈ মনোৰম নাথে শুভাৰম্ভ কৰিব খেল-ধেমালি প্ৰতিযোগিতা। দুপৰীয়া উপেন বৰুৱাৰ উদ্যোগত অনুষ্ঠিত হ'ব দশম বাৰ্ষিক প্ৰাইজমানি কুইজ প্ৰতিযোগিতা। তদুপৰি বিহু মইনা, সৰু বিহুৱতী, বৰ বিহুৱতী, বিহুৱাণী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথম দিনা সন্ধিয়া চক্ৰপাণি দাস, দীপা দাস সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলিকৰিব অভয়াপুৰীৰ ৰোহিনী কুমাৰ দাসে। ১৫ এপ্ৰিল (১ ব'হাগ)ৰ দিনা চিত্ৰাংকন, কবিতা আবৃত্তি আৰু অসমীয়া সাজ-পাৰ পৰিধান কৰা বোৱাৰী প্ৰতিযোগিতাৰ লগতে সন্ধিয়া ৰাণাদিত্য বৰ্মনে মুকলি কৰিব তুষাৰ বৰ্মন সোঁৱৰণী সাংস্কৃতিক মঞ্চ। উক্ত অনুষ্ঠানত আমন্ত্ৰিত শিল্পী হিচাপে গীত-মাত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী গীতাঞ্জলি দাস, দিগন্ত দিক্ষীতৰ লগতে হুঁচৰি পৰিৱেশন কৰিব সৰভোগৰ ৰং এনাজৰী হুঁচৰি দলে। ১৬ এপ্ৰিল (২ ব'হাগ)ৰ দিনা বিয়ানাম, ভেশচন প্ৰতিযোগিতাৰ পাছতে সন্ধিয়া বিটুইন অধিকাৰী সোঁৱৰণী সাংস্কৃতিক মঞ্চ মুকলি কৰিব বিলীন অধিকাৰীয়ে। এই অনুষ্ঠানতে আমন্ত্ৰিত শিল্পীৰ উপৰি নগাঁৱৰ ভয়েচ অফ নগাঁও আৰু কণ্ঠশিল্পী প্ৰদ্যুত বৰা, ববিতা শইকীয়াই গীতৰ শৰাই আগবঢ়াব।

# আছাৰ নেতা প্ৰদীপ নাগৰ মৃত্যুত শোক প্ৰকাশ দল-সংগঠনৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ এপ্ৰিলঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অসমীয়া যুৱ মঞ্চ আৰু অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিয়ে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি যুগল বৰুৱা আৰু অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ মুখ্য উপদেষ্টা ড০ দয়ানন্দ শ্বাহে কয় যে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ সভাপতি সদ্য প্ৰয়াত প্ৰদীপ নাগ প্ৰকৃতাৰ্থত এগৰাকী অতি স্পষ্টবাদী, নিৰ্ভীক আৰু আপোচহীন নেতা আছিল। আদিবাসীসকলৰ আৰ্থসামাজিক উত্তৰণ, আদিবাসীসকলৰ সামাজিক তথা ৰাজনৈতিক অধিকাৰ, ন্যায় প্ৰাপ্তিৰ সংগ্ৰামখনক প্ৰদীপ নাগে সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল। প্ৰয়াত প্ৰদীপ নাগ আছিল এগৰাকী জাতীয়তাবাদী চিন্তা ধাৰাৰ নেতা। প্ৰদীপ নাগৰ আকস্মিক মৃত্যু আদিবাসী জনগোষ্ঠী তথা অসমৰ সমাজ জীৱনৰ বাবে এক বৃহৎ ক্ষতি বুলি উল্লেখ কৰি দুয়োটা সংগঠনৰ নেতাদ্বয়ে কয় যে আদিবাসী জনগোষ্ঠীৰ বাবে আগবঢ়োৱা তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। ওদালগুৰি জিলাৰ ভিতৰুৱা অঞ্চল বেঘাপাৰা গাঁৱত জন্ম লাভ কৰা প্ৰয়াত প্ৰদীপ নাগে আছাক সবল নেতৃত্ব প্ৰদান কৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ আন্দোলন, আদিবাসী জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়নৰ সংগ্ৰামক শক্তিশালীভাৱে আগবঢ়াই নিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ সভাপতি প্ৰদীপ নাগৰ ৭ এপ্ৰিলত নতুন দিল্লীত চিকিৎসাধীন অৱস্থাত অকালতে মৃত্যু হয়। অসমীয়া যুৱ মঞ্চ আৰু অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিয়ে প্ৰয়াত প্ৰদীপ নাগৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ পৰিয়ালবৰ্গ আৰু গুণমুগ্ধলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# আজিও মেৰামতি নহ'ল পশ্চিম দৰঙৰ বান বিধ্বস্ত বাট-পথ

**ই-সংবাদ, দুনী ৯ এপ্ৰিলঃ** ছিপাঝাৰ সমষ্টিৰ দৰং কামৰূপ অঞ্চলৰ বান-বিধ্বস্ত পথৰ সমস্যা আজিও সমাধান নহ'ল। বানে ক্ষতিসাধন কৰাৰ দুবছৰ পাছত মেৰামতি, পুনৰ্নিৰ্মাণ নহ'ল ভগ্ন পথসমূহ। ভগ্ন পথৰ সমস্যাৰ সন্মুখীন হৈয়ে থাকিল পশ্চিৰ দৰংবাসী ৰাইজ। আশ্বাস-প্ৰতিশ্ৰুতি দি একপ্ৰকাৰ দায়িত্ব সামৰিছে বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। কাৰ্যতঃ ৰাইজৰ সমস্যাক আওকাণ কৰাৰ কথাযাৰ প্ৰমাণ হৈছে ৰাজ্যৰ শাসনাধিষ্ঠ দলৰ বিধায়কজনৰ কাম-কাজত। উল্লেখ্য যে, ২০২২ চনত দিমীলা আৰু কালপানী নৈৰ প্ৰলংকৰী বানে ব্যাপক ক্ষতিসাধন কৰিছি দুনী, গভৰা, টেঙেৰা, বৰপথাৰ, বৈৰাগীঝাৰ, চকৰমুখ, দুদুৰীয়া, নাওদিঙা, বুঢ়া, বিষ্ণুপুৰ, পশ্চিম বৰপথাৰ, পুবমালিবাৰী আদি অঞ্চল। বিশেষকৈ এই অঞ্চলসমূহৰ বাট-পথ দুবছৰে কোনো মেৰামতি বা পুনৰ্নিৰ্মাণ নহ'ল। বিশেষকৈ যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হালধা-লাউজানগড়কাপ্টানী পথটোৰ বানত ক্ষতিগ্ৰস্ত অংশসমূহ মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা নাই আজিকোপতি। হালধা-আন্ধেৰীঘাট আৰু দুমুনিচকী-খটৰা গড়কাপ্টানী পথ সংযোগী পথটোৰ এটা বৃহৎ অংশ দিমীলা নৈৰ বাঢ়নি পানীয়ে খহাই নিছিল। তদুপৰি ফেভাৰ ব্লকৰ পথটোৰ বিভিন্ন অংশৰ ক্ষয়-ক্ষতি কৰিছিল। কিন্তু দৰঙৰ 'স্বচ্ছ গাঁও' হালধাৰ মাজেৰে যোৱা পথটোৰ মেৰামতি নকৰাত দুৰ্ভোগৰ সন্মুখীন হৈছে ৰাইজ। দুনী-বুঢ়া সংযোগী গুৰুত্বপূৰ্ণ গ্ৰাম্য পথছোৱাৰ ব্যাপক ক্ষতিসাধন কৰিছিল দিমীলা নৈৰ বাঢ়নি পানীয়ে। পথছোৱাৰ কেইবাঠাইতো ফেভাৰ ব্লক খহাই পেলোৱাৰ পাছতো মেৰামতি বা পুনৰ্নিৰ্মাণ নোহোৱাত ক্ষোভ-অসন্তুষ্টি প্ৰকাশ কৰিছে ৰাইজে। একেদৰে বৰবড়ী-বৰপথাৰ সংযোগী পথৰ বানত ক্ষতিগ্ৰস্ত অংশ বিধ্বস্ত হৈ পৰি আছে। দুনী কলেজ পুব মালিবাৰীটাৰি সংযোগী পথটোৰ এটা কালভাৰ্ট ২০২২ চনতে দিমীলাৰ পানীয়ে খহাই দ গাঁতত পৰিণত কৰিছে। বাঁহৰ দলং দি দায়িত্ব সামৰিছে সংশ্লিষ্ট কৰ্তৃপক্ষই। বোনমাঝা পঞ্চায়ত এলেকাৰ আন কেইবাটাও পথ মেৰামতি নকৰাত আশ্চৰ্য প্ৰকাশ কৰিছে ৰাইজে। উল্লেখ্য, বানপানীৰ সময়ত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰমানন্দ ৰাজবংশীয়ে বিধ্বস্ত বাট-পথৰ মেৰামতি তথা পুনৰ্নিৰ্মাণৰ আশ্বাস দিছিল যদিও দুবছৰে কোনো পদক্ষেপেই গ্ৰহণ নকৰিলে বিজেপি বিধায়কজনে। বিধায়ক কাৰ্যকালৰ এটা বছৰ বাকী থকা সময়ত সমষ্টিটোৰ পশ্চিম অঞ্চলৰ বানবিধ্বস্ত বাট-পথসমূহৰ পুনৰ নিৰ্মাণ বা মেৰামতিৰ ক্ষেত্ৰত আগন্তুক দিনত বিধায়ক গৰাকীয়ে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

## কালপানী নদীৰ এখন দলঙে জীয়াতু ভোগাইছে দুখন গাঁৱৰ ৰাইজক

**ই-সংবাদ, দুনী, ৮ এপ্ৰিলঃ** পশ্চিম দৰঙৰ এখন বাঁহৰ দলঙে জলা-কলা খুৱাইছে গোমঠা আৰু আঠিয়াবাৰী অঞ্চলৰ ৰাইজক। গোমঠা আৰু আঠিয়াবাৰীৰ মাজত কালপানী নদীৰ ওপৰত থকা এখন বাঁহৰ দলং।

গাঁও দুখনৰ মাজত সংযোগ স্থাপন কৰা পথটোত থকা এখন বাঁহৰ দলঙে দুৰ্ভোগ ভুগাইছে অঞ্চলবাসী ৰাইজক। উক্ত বাঁহৰ দলংখন জহি-খহি যোৱাত মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই জনৈক জৈন নামৰ ঠিকাদাৰ জনক মেৰামতি কৰিবলৈ নিৰ্দেশ দিছিল। এই ক্ষেত্ৰত ঠিকাদাৰ জনৈক জৈনে কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰি সাংসদগৰাকীক অংগুষ্ঠ দেখুওৱাৰ লগতে ৰাইজক ভেঙুচালি কৰে। অন্যহাতে, ৰাইজে জনোৱা অনুসৰি বাৰিষাৰ আগে আগে যদি দলংখন মেৰামতি সম্পূৰ্ণ নকৰে তেতিয়া হ'লে বৃহত্তৰ অঞ্চলবাসীয়ে আগন্তুক বাৰিষা জীয়াতু ভুগিব লাগিব বুলি সদৰি কৰে। অতি তৎকালীনভাৱে ঠিকাদাৰ জনৈক জৈনক স্থানীয় ৰাইজে দলংখন মেৰামতি কৰিবলৈ আহ্বান জনাইছে।

## পদ্মাঝাৰত ব্ৰজপাতত গৃহ ভস্মীভূত

**ই-সংবাদ, দুনী, ৯ এপ্ৰিলঃ** পশ্চিম দৰঙৰ পদ্মাঝাৰত ব্ৰজপাতত এটা গৃহ ভস্মীভূত হয়। বুধবাৰে পুৱা প্ৰবল বিজুলী গাজনিৰে হোৱা বৰষুণ পশ্চিম দৰঙৰ পদ্মাঝাৰ গাঁৱৰ শিক্ষক ভগীৰথ কুমাৰৰ গৃহত ব্ৰজপাত হয়। প্ৰথমে ভগীৰথ কুমাৰৰ এজোপা চেগুন গছত বজ্ৰ পৰে। ব্ৰজপাতৰ ফলত নিৰ্গত হোৱা জুইৰ ফলত ওচৰতে থকা ভগীৰথ কুমাৰৰ এটা ঘৰ জ্বলি উঠাৰ লগতে ধান খেৰৰ মেজিটো ভস্মীভূত হয়। এই ঘটনাত গাঁৱৰ ৰাইজৰ মাজত হুৱা-দুৱা লাগে। ৰাইজে অগ্নিনিৰ্বাপৰ চেষ্টা কৰাৰ উপৰি অগ্নিনিৰ্বাপক বাহিনী খবৰ দিয়ে।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

# গোলকগঞ্জৰ বেংক চুৰিকাণ্ডৰে জড়িত এজনক পশ্চিমবংগৰপৰা আটক

**ই-সংবাদ, গোলকগঞ্জ, ৯ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ ষ্টেট বেংকৰ গ্ৰাহকৰপৰা চাৰে চাৰি লক্ষাধিক টকা লুটি নিয়া এটা চোৰক যোৱানিশা গোলকগঞ্জ আৰক্ষীয়ে পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ ফাটাপুখুৰৰপৰা আটক কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন লোকজন ফাটাপুখুৰৰ প্ৰয়াত দিলীপ গোৱালাৰ পুত্ৰ মুকেশ গোৱালা (৪৫)। পশ্চিমবংগ বিহাৰৰ পৰা অহা একাংশ দুৰ্বৃত্তই অসমত সোণৰ চেইন চুৰি, টকাৰ মোনা আদি কাঢ়ি নি দীৰ্ঘদিনৰ পৰা সন্ত্ৰাস চলাই আহিছে। যোৱা ২০ মাৰ্চত গোলকগঞ্জৰ হিতেশ ৰায়ে টকা উঠাবলৈ গোলকগঞ্জৰ ষ্টেট বেংকলৈ গৈছিল। হিতেশ হিটাচি কোম্পানীৰ এটা এ টি এমৰ স্বত্বাধিকাৰী। তেওঁ বেংকৰপৰা চাৰি লাখ সাতাইশ হাজাৰ পাঁচশ টকা উঠোৱাৰ লগতে তেওঁৰ লগত পূৰ্বৰ পৰাই আছিল বিছ হাজাৰ টকা। মুঠ চাৰি লাখ সাতচল্লিচ হাজাৰ পাঁচশ টকাৰ মোনাটো বেংকৰ গাণনিক বিষয়াৰ মেজত থৈ আলোচনাত মিলিত হৈছিল বিষয়াগৰাকীৰ লগত। আলোচনাত মচগুল হৈ থকাৰ সুযোগ



লৈ বগা চোলা পৰিহিত এজন দুৰ্বৃত্ত পাছফালেদি আহি টকাৰ মোনা লৈ উধাও হয়। সকলো দৃশ্য বেংকৰ চিচিটিভিৰ কেমেৰাত আৱদ্ধ হয়। এই সন্দৰ্ভত হিতেশ ৰায়ে গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ৬৯/২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে অভিযান অব্যাহত ৰাখে। ধুবুৰী অতিৰিক্ত আৰক্ষী অধীক্ষক দীপজ্যোতি তালুকদাৰৰ নিৰ্দেশত গোলকগঞ্জ আৰক্ষীৰ এটি দলে যোৱা নিশা চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ জলপাইগুৰি আৰক্ষীৰ সহযোগত অভিযান চলাই ফাটাপুখুৰ গাঁৱৰপৰা দুৰ্ধৰ্ষ চোৰ মুকেশ গোৱালাক আটক কৰে। তেওঁৰ লগত গাঁওখনৰ আন দুগৰাকী চোৰ জড়িত আছিল। কিন্তু আৰক্ষী উপস্থিত হোৱাৰ পূৰ্বেই বাকী দুজন পলাই যাবলৈ সক্ষম হয়। উল্লেখ্য যে কিছুদিন পূৰ্বে মুকেশ এটা দুৰ্ঘটনাত সোঁভৰিত আঘাতপ্ৰাপ্ত হৈছিল। যাৰবাবে তেওঁ পলাবলৈ সক্ষম নোহোৱা বুলি জানিব পৰা গৈছে। ধৃত গভাইত চোৰ মুকেশে জানিবলৈ দিয়া মতে, জলপাইগুৰিৰপৰা তিনিজনীয়া দলটো ৰে'লেৰে নিউ কোচবিহাৰলৈ আহে। তাৰপৰা বাছেৰে গোলকগঞ্জলৈ আহি চুৰি কাৰ্য সংঘটিত কৰি পুনৰ বাছেৰে বক্সিৰহাট আৰু তাৰপৰাই কোচবিহাৰ অভিমুখে গুছি যায়। দলটো এনেকৈ আহি চুৰি কৰি নিৰ্বিঘ্নে পলাই যাবলৈ সক্ষম হোৱা ঘটনাত যে স্থানীয় কোনোবা জড়িত থাকিব সেয়া স্পষ্ট হ'লেও এতিয়ালৈকে কোনো স্বীকাৰ কৰা নাই। তেওঁ ধুবুৰী জিলাৰ বিভিন্ন অঞ্চল সম্পৰ্কে যথেষ্ট জ্ঞাত। সেই হিচাপতে তেওঁ ইয়াৰ পূৰ্বেও সোণৰ চেইন টকাৰ মোনা কাঢ়ি নিয়া আদি ঘটনাত জড়িত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

# ভৱানন্দ দেৱগোস্বামীৰ তিৰোভাৱ তিথিত নতুন সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান অনুষ্ঠানৰ সিদ্ধান্ত গ্ৰহণ

**ই-সংবাদ বিশেষ, মাজুলী, ৯ এপ্ৰিলঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীবৰএলেঙী সত্ৰত আজি আঞ্চলিক ৰাইজৰ উপস্থিতিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সত্ৰখনৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীৰ প্ৰথম বাৰ্ষিক তিৰোভাৱ তিথি উদযাপন কৰা আৰু সত্ৰখনৰ নৱ-মনোনীত সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰা অনুষ্ঠান আয়োজন কৰিবলৈ আজি উক্ত ৰাজহুৱা সভাখন অনুষ্ঠিত কৰা হয়। সত্ৰৰ নামঘৰত আজি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত সভাত বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক গুণেশ্বৰ গায়নে সভাপতিত্ব কৰে। নামনি মাজুলীৰ ৰাইজে অংশগ্ৰহণ কৰা উক্ত ৰাজহুৱা সভাৰ আঁতধৰে সত্ৰৰ জ্যেষ্ঠ সত্ৰীয়া চন্দন গোস্বামীয়ে। সভাত মাজুলীৰ শ্ৰীশ্ৰী বৰএলেঙী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীৰ প্ৰথম বাৰ্ষিক তিৰোভাৱ তিথি অহা ৩০ জুনত ৰাজহুৱাভাৱে উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে, তেখেতৰ তিৰোভাৱ তিথিৰ পাছদিনাই সত্ৰখনৰ জ্যেষ্ঠ সত্ৰীয়া চন্দন গোস্বামীক মাজুলী বৰএলেঙী সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰিবলৈ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। নামনি মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাইজে অংশগ্ৰহণ কৰা সভাত, অৱসৰপ্ৰাপ্ত শিক্ষক শিশুৰাম বৰা, নাৰায়ণ বৰুৱা, হেমন্ত ভূএগ, খগেন বৰা, সমাজকৰ্মী গোপাল শইকীয়া, যদু কলিতা, যতীন শইকীয়া আদিয়ে দুয়োটা অনুষ্ঠানৰ বাবে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। সভাত অহা ৩০ জুনত দিনজোৱা বৈদিক ক্ৰিয়া-কৰ্ম, নাম-প্ৰসংগ, যোগান, সমূহীয়া প্ৰাৰ্থনা আদিৰে সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীৰ প্ৰথম বাৰ্ষিক তিৰোভাৱ তিথি পালন কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে ১ জুলাইত সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান অনুষ্ঠানলৈ মাজুলীৰ সকলো সত্ৰাধিকাৰ, চাৰি সংহতিৰ সত্ৰাধিকাৰ, বিশিষ্ট অতিথি, মাজুলী শ্ৰীশ্ৰী বৰএলেঙী সত্ৰৰ অসমৰ বিভিন্ন প্ৰান্তত থকা শিষ্য-প্ৰশিষ্যক নিমন্ত্ৰণ জনোৱা, সত্ৰৰ অসম্পূৰ্ণ হৈ থকা কামসমূহ পূৰ্ণগতিত সম্পূৰ্ণ কৰাৰ বাবে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত ৰাজহুৱা সভাত অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ জৰিয়তে শ্ৰীশ্ৰী বৰএলেঙী সত্ৰৰ নামঘৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পুঁজি যোগান ধৰিবলৈ অসম চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত, গুণেশ্বৰ গায়নক সভাপতি আৰু চন্দন গোস্বামীক সম্পাদক হিচাপে লৈ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীৰ প্ৰথম বাৰ্ষিক তিৰোভাৱ তিথি পালন আৰু সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান অনুষ্ঠানৰ বাবে ২১ জনীয়া এখন উদযাপন সমিতি সৰ্বসন্মতিক্ৰমে গঠন কৰা হয়।

# হাউলিত বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ



**ই-সংবাদ, বৰপেটাৰোড, ৯ এপ্ৰিলঃ** বৰপেটাৰোডৰ শিমলাগুৰি আৰক্ষীৰ সহযোগত বাক্সা বন বিভাগে যোৱানিশা জব্দ কৰে বৃহৎ পৰিমাণৰ চোৰাং কাঠ। নিশা এখন বৃহৎ ট্ৰেইলাৰেৰে কাঠৰ কুণ্ডাসমূহ নি থকা অৱস্থাত NL 01 N 2424 নম্বৰৰ ট্ৰেইলাখন অভিযানকাৰী দলটোৱে জব্দ কৰে। বাক্সা জিলাৰ শিমলাগুৰি আৰক্ষী চকীৰ অন্তৰ্গত হাউলীত জব্দ কৰে চোৰাং কাঠখিনি। কোনো অজ্ঞাত স্থানৰ পৰা ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নি থকা সময়তে গোপন সূত্ৰৰ পম খেদি ট্ৰেইলাৰসহ কাঠখিনি জব্দ কৰে। শালবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ ৰেঞ্জাৰ বাবুল ব্ৰহ্মৰ নেতৃত্বত চলিছিল এই অভিযান। ট্ৰেইলাৰখনত চালক উপস্থিত নথকা বাবে আৰক্ষীয়ে তলা ভাঙি উদ্ধাৰ কৰে কাঠখিনি। সম্প্ৰতি শালবাৰী বনাঞ্চলিক কাৰ্যালয়ত জব্দকৃত কাঠসহ ট্ৰেইলাৰখন ৰখা হৈছে।

# চেঙা সমষ্টিৰ বিভিন্ন স্থানত দীনদয়াল আঁচনিৰ ছ'লাৰ লাইট বিতৰণত দুৰ্নীতি



**ই-সংবাদ, শিমলীতোলা, ৯ এপ্ৰিলঃ** দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি ঘোষণা কৰা মুখ্যমন্ত্ৰীক বুঢ়া আঙুলি দেখুৱাইছে একাংশ চৰকাৰী গাঁওপ্ৰধানে। ৪৫ নং বাঘবৰ সমষ্টিৰ মন্দিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত তথা নৱগঠিত চেঙা সমষ্টিৰ ধৰ্মপুৰ এন চি, ভাতনাপাইতি এন চি আৰু সোখোৱাৰঝাৰত ২০২১-২২ চনৰ দীনদয়াল আঁচনিৰ চৰকাৰী ছ'লাৰৰ নামত গাঁওপ্ৰধান আৰু একাংশ মধ্যভোগী দালালৰ দপদপনিত অতিষ্ঠ হৈ পৰিছে সাধাৰণ জনতা। বৰপেটা জিলাৰ মন্দিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ধৰ্মপুৰ, ধৰ্মপুৰ কে, ধৰ্মপুৰ এন চি আৰু মমিনপুৰ গাঁৱৰ দীনদয়াল আঁচনিৰ হিতাধিকাৰী সৰ্বমুঠ (ছ'লাৰ লাইট) ১২২৬ জন আছিল যদিও তাৰে ভিতৰত ৭৫২ জনক দীনদয়াল আঁচনিৰ ছ'লাৰ লাইট দিয়া আৰু বাকীখিনি ছ'লাৰ লাইট কি হ'ল বুলি উল্লেখ কৰি লিখিত অভিযোগত দাখিল কৰে যদিও কাৰ্যত বিভাগীয়ভাৱে নীৰৱ ভূমিকা পালন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে ভুক্তভোগী প্ৰতিবাদকাৰীসকলে। বিতৰণ কৰাখিনিৰ প্ৰতিটো চৰকাৰী ছ'লাৰৰ নামত ৩০০০-৪০০০ হাজাৰকৈ টকা লোৱাৰ অভিযোগ উত্থাপন কৰে ধৰ্মপুৰৰ গাঁওপ্ৰধান ছোলেমান আৰু তুজাম্মেল হকৰ বিৰুদ্ধে। ভুক্তভোগী হিতাধিকাৰীয়ে কেইবাবাৰো উক্ত বৃহৎ দুৰ্নীতিৰ সম্পৰ্কে AGM, CEO, DC Office ৰ লগতে মুখ্যমন্ত্ৰীলৈ লিখিত অভিযোগ দাখিল কৰাৰ পিছতো কোনো সুফল নোপোৱাৰ অভিযোগ উত্থাপন কৰিছে। উপায়ন্তৰ হৈ ভুক্তভোগী হিতাধিকাৰীয়ে গাঁওপ্ৰধান ছোলেমান, তুজাম্মেল হক AGM মনিন্দ্ৰ নাথ আৰু ঠিকাদাৰ স্বপন কুমাৰ মণ্ডলৰ বিৰুদ্ধে দুৰ্নীতি আৰু অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীয়ে ছোলেমান গাঁওবুঢ়া হায় হায়, তুজাম্মেল গাঁওবুঢ়া হায়, ছ'লাৰৰ নামত দুৰ্নীতি বন্ধ কৰক, ছ'লাৰৰ নামত পইচা লোৱা বন্ধ কৰক, AGM হায় হায়, CEO হায় হায়, North East ছ'লাৰ কোম্পানী হায় হায় আদি শ্লোগানেৰে প্ৰতিবাদস্থলীৰ পৰিৱেশ উত্তাল কৰি তোলে। উক্ত বৃহৎ দুৰ্নীতিৰ তদন্তমৰ্মে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনোৱাৰ লগতে বঞ্চিত হিতাধীকাৰীয়ে প্ৰাপ্য ছ'লাৰ পোৱাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে উৰ্ধ্বতন কৰ্তৃপক্ষৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীক দাবী জনাইছে।

---

# শিমলীতোলাত ড্ৰাগছসহ কুখ্যাত বেপাৰী আটক আৰক্ষীৰ

**ই-সংবাদ, নগৰবেৰা-শিমলীতোলা, ৯ এপ্ৰিলঃ** গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত নৱাগত শিমলীতোলা বজাৰত যোৱানিশা ৩৬ টা কণ্টেইনাৰসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰা হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজন মাজৰ চৰৰ মুহাম্মদ কফিলুদ্দিন বুলি জানিব পৰা গৈছে। গোপন খবৰৰ ভিত্তিত শিমলীতোলা অৰুণোদয় ক্লাব, স্থানীয় গাঁওৰক্ষী বাহিনী, নৱাগত শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ লগতে ৰাইজৰ সহযোগত মাটিয়া আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী মুহাম্মদ কফিলুদ্দিনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ৰাইজে দিয়া ভাষ্য মতে, ৩৬ টা কণ্টেইনাৰ ভৰ্তি ২৩.৮০ গ্ৰাম ড্ৰাগছসহ নগদ ৮ হাজাৰ টকা আৰু এটা মোবাইল ফোন জব্দ কৰে আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী মুহাম্মদ কফিলুদ্দিনে দীৰ্ঘদিন ধৰি জয়নানাল আলীৰ ভাড়াঘৰত থাকি জয়নাল আলীৰ সহযোগত ড্ৰাগছৰ ব্যৱসায় কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে ৰাইজে। লগতে ঘৰৰ মালিক জয়নাল আলীৰ ভাড়াঘৰ চৌহদত মদ-জুৱাৰ লগতে নাৰীদেহৰ ব্যৱসায় চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে ৰাইজে। শিমলিতোলা আৰক্ষী চকী থকাৰ পিছতো বজাৰ



এলেকাত ভাড়াঘৰত দীৰ্ঘদিন ধৰি বিভিন্ন অসামাজিক কাম চলি অহা বিষয়টো সহজভাৱে ল'ব পৰা নাই ৰাইজে। ভাড়াঘৰৰ মালিকে কোনো নথি-পত্ৰ নোলোৱাকৈ বা পৰীক্ষা নকৰাকৈ ঘৰ ভাড়া দিয়াৰ ফলত বিভিন্ন অসামাজিক কাম বৃদ্ধি পোৱা বুলি স্থানীয় সচেতন ৰাইজে দাবী কৰে। স্থানীয় বিভিন্ন দল-সংগঠন, স্থানীয় গাঁওৰক্ষী বাহিনী, বজাৰ পৰিচালনা সমিতিৰ লগতে স্থানীয় ৰাইজে কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী মুহাম্মদ কফিলুদ্দিনৰ লগতে ঘৰ মালিক জয়নাল আলীকো তদন্তৰ আওতালৈ আনি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে প্ৰশাসনক দাবী জনায়।

# টীয়কত উপস্থিত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য

**ই-সংবাদ, টীয়ক, ৯ এপ্ৰিলঃ** আজি যোৰহাটৰ এক চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰি টীয়কৰ কেইবাটাও ঐতিহাসিক স্থান পৰিদৰ্শন কৰে ৰাজ্যপালগৰাকীয়ে। প্ৰথমেই মাধৱদেৱ গুৰুজনাই প্ৰতিষ্ঠা কৰা ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত ধূপ, দ্বীপ, নৈবেদ্যৰ লগতে বন্তি প্ৰজ্বলন কৰি আশীৰ্বাদ ল'লে ৰাজ্যপালগৰাকীয়ে। পত্নীসহ ৰাজ্যপালগৰাকীয়ে আধ্যাত্মিক পৰিৱেশত কাঁহৰ বাতিত জুতি ল'লে ৰঙা চাহৰ। ৰাজ্যপালগৰাকীয়ে মন্তব্যত কৰে যে মাধৱদেৱ গুৰুজনাই প্ৰজ্বলন কৰি থৈ যোৱা ৫০০ বছৰ পুৰণি অক্ষয় বন্তিৰ আশিস লৈ ভাষাৰে বুজাব নোৱাৰা এক সুখ অনুভৱ কৰে। যুগ যুগ ধৰি প্ৰজ্বলিত হৈ থকা এই বন্তি গছিৰ পোহৰে যুগ যুগান্তৰলৈ আধ্যাত্মিকতাৰ পোহৰ বিলাই যাব বুলি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায়। বৰ নামঘৰত আশিস লৈ ৰাজ্যপালগৰাকীয়ে শৌৰ্য-বীৰ্য, বীৰত্ব আৰু স্বাভীমানৰ প্ৰতীক লাচিত বৰফুকন সাংস্কৃতিক প্ৰকল্প পৰিদৰ্শন কৰে। মৈডামস্থলীত প্ৰৱেশ কৰিয়েই প্ৰথমে মৈডাম তৰ্পন কৰে ৰাজ্যপালগৰাকীয়ে।

# ভৱানীপুৰত ৩ আই পি এল বুকী আটক বজালী আৰক্ষীৰ



**ই-সংবাদ, ভৱানীপুৰ, ৯ এপ্ৰিলঃ** বজালী আৰক্ষীয়ে চলোৱা এক অভিযানত আই পি এল জুৱাৰে জড়িত তিনিগৰাকীকৈ বুকিক যোৱানিশা আটক কৰিবলৈ সক্ষম হয়। আজি সন্ধিয়া বজালী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাই এক সংবাদমেলত এই কথা জানিবলৈ দিছে। অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে এক গোপন খবৰৰ ভিত্তিত ভৱানীপুৰৰ ৰাজাখাট অঞ্চলত আই পি এল জুৱাৰে জড়িত এক চক্ৰৰ বিষয়ে জানিব পৰাৰ কথা উল্লেখ কৰে। ইয়াৰ পিছতেই সক্ৰিয় হৈ উঠা বজালী আৰক্ষীয়ে আৰক্ষী কাৰ্যালয়ৰ উপ-আৰক্ষী অধীক্ষক অনামিকা মহন্তৰ নেতৃত্বত এটি অনুসন্ধানকাৰী দল গঠন কৰি দিয়ে। আৰক্ষীৰ দলটোৱে অনুসন্ধান চলাই আই পি এল জুৱাৰে জড়িত ভৱানীপুৰৰ ৰাজাখাটৰ ছাইফুল ইছলাম আৰু বিকি গোপৰ লগতে কাটলা পথাৰৰ ছাজিদ হুছেইন নামৰ তিনিজন বুকিক আটক কৰিবলৈ সক্ষম হয়। ৰাইজে আৰক্ষীৰ এনে ভূমিকাক প্ৰশংসা কৰিছে। সংবাদমেল সম্বোধন কৰি ম'বাইলৰ সহায়ত বিশেষ এপৰ সহায়ত জুৱাৰীসকলে কেনেদৰে আই পি এলৰ জুৱা চলাই আহিছিল, সেই বিষয়েও বৰ্ণনা কৰে।

# মধাপুৰত প্ৰয়াত প্ৰদীপ নাগৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আটছাৰ

**ই-সংবাদ, তিতাবৰ, ৯ এপ্ৰিলঃ** চাহ জনজাতি ছাত্ৰ সন্থাৰ উদ্যোগত আজি মধাপুৰত প্ৰদীপ নাগৰ স্মৃতিত এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত চাহ জনজাতি ছাত্ৰ সন্থাৰ তিতাবৰ শাখাৰ সকলো সদস্যৰ উপৰি প্ৰাক্তন ছাত্ৰ নেতা, সমাজকৰ্মী আৰু স্থানীয় গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰি প্ৰদীপ নাগৰ ফটোত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত আটছাৰ তিতাবৰ শাখাৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থকাৰ লগতে মধাপুৰ উপ-শাখা, চৰাইপানী শাখাৰ লগতে বহু প্ৰাথমিক শাখাৰ সদস্যসকল উপস্থিত থাকে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তিতাবৰ সমিতিৰ সম্পাদক বিমল বাৰ্লুৱে আঁতধৰা অনুষ্ঠানত চাহ জনজাতি ছাত্ৰ সন্থাৰ উপ-সভাপতি প্ৰদীপ তাঁতীয়ে প্ৰয়াত প্ৰদীপ নাগৰ ত্যাগ আৰু তেখেতৰ জাতিটোৰ প্ৰতি কৰা অৱদানৰ এক আলোকপাত কৰে। তেখেতৰ আধৰুৱা কামসমূহ সফল কৰাৰ অংগীকৰবদ্ধ হয় সদস্যসকল। আটছা নেতাগৰাকীৰ মৃত্যুক আদিবাসী সমাজৰ লগতে অসমৰ বাবে এক অপূৰণীয় ক্ষতি আখ্যা দিয়ে সকলোৱে।

# নামতিৰ নজৰুল ইছলামক সমাজকৰ্মী বঁটা প্ৰদান



**ই-সংবাদ, গেলেকী, ৯ এপ্ৰিলঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলি গণক আদৰ্শ গাঁৱৰ নিবাসী, গেলেকী প্ৰেছ ক্লাবৰ কাৰ্যালয় সম্পাদক, বিশিষ্ট সমাজকৰ্মী নজৰুল ইছলামক ৰাষ্ট্ৰীয় জ্ঞানৰত্ন সাহিত্য একাডেমীয়ে "সমাজকৰ্মী বঁটা" প্ৰদান কৰিছে ৰাষ্ট্ৰীয় জ্ঞানৰত্ন সাহিত্য একাডেমীৰ ৰাষ্ট্ৰীয় সভাপতি ড° হেমচন্দ্ৰ বৰ্মন বিয়লি নজৰুল ইছলামৰ বাসগৃত উপস্থিত হৈ এই বঁটা প্ৰদান কৰে। উল্লেখ্য যে, নজৰুল ইছলামে নিজৰ উপাৰ্জনৰ এটা অংশ সমাজৰ হিতৰ হকে বছৰ বছৰ ধৰি বিভিন্ন পন্থাৰে আৰ্তজনলৈ আগবঢ়াই আহিছে নজৰুল ইছলামে সহায়ৰ হাত তথা সমাজত কৰি অহা বিভিন্ন কৰ্মৰ স্বীকৃতি স্বৰূপে ৰাষ্ট্ৰীয় জ্ঞানৰত্ন সাহিত্য একাডেমীয়ে এই বিশেষ বঁটা প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে।

# বৰপেটাৰোডত প্ৰনীতা দাসৰ কাব্যগ্ৰন্থ জোনাকৰ বৰষুণ উন্মোচন

**ই-সংবাদ, বৰপেটাৰোড, ৮ এপ্ৰিলঃ** বৰপেটাৰোডৰ অনুষ্ঠিত হোৱা অসম কবি সন্মিলনৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনত বৰপেটাৰোডৰ প্ৰনীতা দাসৰ জোনাকৰ বৰষুণ নামৰ এখন কাব্য গ্ৰন্থ উন্মোচন কৰা হয়। পুথিখনত মুঠ ৫৮ টা কবিতা সন্নিৱিষ্ট হৈছে। গ্ৰন্থ উন্মোচনী সভাখনত অসম কবি সন্মিলনৰ বিদায়ী সভাপতি গীতা দত্ত, নৱ-নিৰ্বাচিত সভাপতি দীনেশ দাস, বি এইচ কলেজৰ অধ্যক্ষ ভূষণ পাঠক, বৰপেটা ৰোড শাখা কবি সন্মিলনৰ সভাপতি ৰত্না অধিকাৰী, প্ৰভা দেৱী, ৰঞ্জিত কলিতা আৰু অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকল উপস্থিত আছিল। বাক্সা জিলাৰ বাৰাপেটাত জন্মগ্ৰহণ কৰা প্ৰনীতা দাস, প্ৰয়াত বনমালী দাস আৰু শ্ৰীযুতা দময়ন্তী দাসৰ কনিষ্ঠ কন্যা। বৰ্তমান বৰপেটাৰোডৰ শিমলাগুৰিৰ বাসিন্দা প্ৰনীতা দাসে পিতৃৰ তত্ত্বাৱধানত সৰুৰেপৰাই সাহিত্য চৰ্চা কৰি আহিছে। বৰপেটা জিলাৰ ৬৫৪ নং ভেবালদি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত লেখিকাগৰাকী অসম সাহিত্য সভা, বৰপেটাৰোড শাখাৰ লেখিকা সমাৰোহৰ পত্ৰিকা সম্পাদিকা আৰু বৰপেটা ৰোড শাখা কবি সন্মিলনৰ সাধাৰণ সম্পাদিকা, বৃহত্তৰ বৰপেটা ৰোড সাংস্কৃতিক আৰু সমাজ কল্যাণ মহিলা সমিতি আদিৰ সৈতে বৰ্তমান জড়িত হৈ আছে।



সৰুপেটা ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অনুষ্ঠিত বিহুনাচ, বিহুনাম আৰু বিহুবাদ্য কৰ্মশালাৰ এক দৃশ্য

# কনৱেক ৰিটায়াৰ্ড আউট কৰি পুনৰ সমালোচিত চিএছকে

**চেন্নাই, ৯ এপ্ৰিলঃ** আইপিএল ২০২৫ত ৰিটায়াৰড আউট সিদ্ধান্তক লৈ সৃষ্টি হৈছে পুনৰ বিতৰ্ক। কিছুদিন পূৰ্বে লক্ষ্ণৌ চুপাৰ জায়েন্টছৰ বিৰুদ্ধে তিলক বাৰ্মাক ৰিটায়াৰড আউট কৰাৰ বাবে মুম্বাই ইণ্ডিয়ানছ সমালোচনাৰ সন্মুখীন হৈছিল। এইবাৰ চেন্নাই চুপাৰ কিংছে একে পথেই অনুসৰণ কৰিলে। পঞ্জাব কিংছৰ বিৰুদ্ধে খেলখনত চেন্নাইয়ে ডেভন কনৱেক ৰিটায়াৰড আউট কৰাৰ সিদ্ধান্ত লয়। কিন্তু সেই কৌশল কামত নাহিল। খেলখনত পৰাস্ত হয় চিএছকে। ফলত আকৌ এবাৰ প্ৰশ্ন উত্থাপন হৈছে- এনে সিদ্ধান্ত মেচত পৰাস্ত হোৱাৰ অন্যতম কাৰণ নহয়নে? খেলখনৰ অন্তত চেন্নাইৰ অধিনায়ক ৰিতুৰাজে এই সিদ্ধান্তৰ আঁৰৰ কাৰণ ব্যাখ্যা কৰে। তেওঁৰ মতে, কনৱেই আৰম্ভণিতে ভাল খেলিছিল যদিও পিছত ৰান সংগ্ৰহ কৰিবলৈ সংগ্ৰাম কৰিছিল। তেওঁ কয়, "কনৱেই শ্বট খেলে জোৰকৈ নহয়, টাইমিংৰ সৈতে। প্ৰথমতে তেওঁ ভাল খেলিছিল, কিন্তু পিছলৈ তেওঁৰ বেট আৰু বলৰ সৈতে সংযোগ হোৱা নাছিল। আৰু যেতিয়া দলত জাডেজাৰ দৰে ফিনিছাৰ থাকে তেতিয়া এনে সিদ্ধান্ত লোৱাটো স্বাভাৱিক। আমি অপেক্ষা কৰি আছিলো, কিন্তু এটা সময়ত সিদ্ধান্ত ল'বলগীয়া হয়।" সেইবাবেই ১৮ অভাৰৰ পঞ্চম বলৰ পিছত কনৱেই ৪৯টা বলত ৬৯ ৰান সংগ্ৰহ কৰি খেলপথাৰ এৰি থৈ যায় আৰু তেওঁৰ সলনি জাডেজা খেলপথাৰত নামে। সেই সময়ত চেন্নাইৰ স্ক’ৰ আছিল ১৭১। মাত্ৰ ১৩টা বল বাকী আছিল, আৰু ৪৯টা ৰানৰ প্ৰয়োজন। এই সময়তে জাদেজা ধোনিৰ সৈতে বেটিং কৰিবলৈ ওলাই আহিছিল। পৰিকল্পনা আছিল শ্ৰেষ্ঠ ফিনিছাৰ দুজনক একেলগে ৰাখি মেচখন জয় কৰা। কিন্তু বাস্তৱত তাৰ বিপৰীতহে ঘটিল। চেন্নাই ১৩টা বলত মাত্ৰ ৩০ ৰানহে কৰিবলৈ সক্ষম হয়। শেষৰ ফালে ধোনিয়ে ধুমুহা গতিৰে ১২টা বলত ২৭ ৰান সংগ্ৰহ কৰি আউট হয়। কিন্তু জাদেজাই মাত্ৰ ৫ বলত ৯ ৰানহে সংগ্ৰহ কৰে।



আইপিএল ২০২৫: ৰাজস্থানৰ প্ৰশিক্ষক দ্ৰাবিড়ৰ সৈতে গুজৰাটৰ অধিনায়ক শুভমন




আইপিএল ২০২৫: চেন্নাইৰ এমএছ ধোনীক পেভিলিয়নমুখী কৰাৰ পিছত উল্লাস পঞ্জাৱৰ যুজবেন্দ্ৰ চহলৰ

## যুৱ প্ৰতিভাৰ অভিনৱ উদযাপনত সন্মোহিত ক্ৰিকেট অনুৰাগী

# জুনিয়ৰ বাবেই শাস্তি দিগৱেশক! ব’ৰ্ডৰ বিৰুদ্ধে পক্ষপাতিত্বৰ অভিযোগ

**নতুন দিল্লী, ৯ এপ্ৰিলঃ** আইপিএলত বলিং কৰি দৃষ্টি আকৰ্ষণ কৰাৰ সমান্তৰালকৈ নিজৰ 'নোটবুক চেলিব্ৰেশ্যন'ৰ জৰিয়তে জনপ্ৰিয় হৈ পৰিছে লক্ষ্ণৌ চুপাৰ জায়েন্টছৰ যুৱ পেচাৰ দিগৱেশ ৰাথী। আনকেপড প্লেয়াৰ দিগৱেশক মেগা নিলামৰ সময়ত মাত্ৰ ৩০ লাখ টকাত ক্ৰয় কৰিছিল এলএছজিয়ে। আৰু এতিয়া সেই বলাৰজনে নিজৰ অনন্য উদযাপন শৈলীৰে ক্ৰিকেট জগতৰ দৃষ্টি আকৰ্ষণ কৰিছে। অৱশ্যে তাৰ বাবেই তেওঁ দুবাৰকৈ শাস্তিৰ সন্মুখীনো হ'বলগীয়া হৈছে। কিন্তু এই পৰিস্থিতিত দিগৱেশৰ পক্ষত থিয় দিছে প্ৰাক্তন কিউৱি ক্ৰিকেটাৰ তথা জনপ্ৰিয় ধাৰাভাষ্যকাৰ চাইমন ডুলি। ছাইমনে দাবী কৰে যে, "এজন খেলুৱৈৰ শাস্তিৰ বাবে সমগ্ৰ দলটোৱে ধন দিবলগীয়া হোৱাটো মোৰ একেবাৰেই ভাল নালাগে। যদি কোনোবাই প্ৰেমৰ বাবে উদযাপন কৰে, তেন্তে তাৰ কোনো সমস্যা হ'ব নালাগে। মই নাভাবো যে দিগৱেশে কোনো ভুল কৰিছে।" ডুলিৰ বক্তব্যৰ পৰাই বিতৰ্ক আৰম্ভ হয়। বিশেষকৈ, তাৰ পিছত তেওঁ ভাৰতীয় জ্যেষ্ঠ ক্ৰিকেটাৰসকলক কেনেদৰে তীব্ৰ সমালোচনা কৰিছিল, সেই সন্দৰ্ভত গুৰুতৰ প্ৰশ্ন উত্থাপন হৈছে। তেওঁ মন্তব্য কৰে যে, "মই আগতেও বহু জ্যেষ্ঠ ভাৰতীয় ক্ৰিকেটাৰক ইয়াতকৈও বেয়া ধৰণে উদযাপন কৰা দেখিছো। এতিয়া যিহেতু এজন যুৱ ক্ৰিকেটাৰে নতুন কিবা এটা কৰিছে, সেয়েহে তেওঁৰ ওপৰত আদৰ্শ শাস্তি প্ৰদান কৰা হৈছে। এয়া এক প্ৰকাৰৰ পক্ষপাতিত্ব।" যদিও তেওঁ কোনজন চিনিয়ৰৰ কথা উল্লেখ কৰিছে সেই কথা স্পষ্ট কৰা নাই। উল্লেখ্য যে, যোৱা মঙলবাৰে দিগৱেশে সুনীল নাৰিনক আউট কৰাৰ পিছত 'নোটবুক চেলিব্ৰেশ্যন' কৰে। অৱশ্যে আগৰ মেচৰ দৰে হাতত নিলিখি এইবাৰ তেওঁ মাটিত বহি লিখাৰ ভাও ধৰা দেখা যায়। হয়তো শাস্তিৰ পৰা হাত সাৰিবলৈ এই নতুন কৌশল গ্ৰহণ কৰিছিল। অৱশ্যে এই বিশেষ উদযাপনৰ বাবে তেওঁক জৰিমনা বিহা হোৱা নাছিল।



newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি